চান্দমামা

জুন ১৯৮৭



"অলপ সময় লৈ ভাবি-চিন্তি আজি তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই সাজি!"

-ফেভিফেইৰী



লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকে মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহন্ন
হাত বহি গৈ শেষত হবগৈ
এজনা ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বজ্ৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

গোলাপ ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

গোলাপ ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

নাম: ____________________

বয়স: ____________________

ঠিকনা: ____________________

____

চহৰ: ____________________

ৰাজ্য: ____________ পিন: ____________

তোমাৰ মাহেকীয়া জাৰ্নেল ফেভিক্ৰাফট পালানে? হয়/নহয়

® এম-আৰ

ফেভিকল

চিন্থেটিক এধেচিভ

উওম বস্তু গঢ়িবলৈ হলে উওম বস্তুৰেই জোৰা দিব লাগে!

OBM-7954 ASM

® হস্তী চিহ্ন আৰু ফেভিকল নাম হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

No share prices,
no political fortunes, yet...

"Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma."

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

CMP-2155

THE HERITAGE

So much in store, month after month.

গৌতম গোস্বামী
৮/৬/৮৭

চান্দমামা

*

জুন ১৯৮৭

এই সংখ্যাত আছে

*

চান্দমামাৰ সম্বাদ-বি-সম্বাদ	৯
জাজিলি	১০
লৌকিক-অলৌকিক	১১
জীৱন-লগৰী	১৬
জ্বালাদ্বীপ	১৯
আত্মশক্তি	২৭
আৰ্চী	৩৩
আমাৰ দেশৰ বিচিত্ৰ কথা	৩৫
মুখা	৩৯
উত্তৰ-ৰামায়ণ	৪৩
পৰিৱৰ্তন	৫১
হিংস্ৰ আৰু নম্ৰ	৫৬
গিয়ানীৰ গাঁ	৫৮
প্ৰকৃতিৰ বিস্ময়	৬৩

*

খনে : ২·৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি : ৩০·০০ টকা মাথোন

চুপাৰফাইটাৰ!

তেওঁৰ বন্ধুগণে তেওঁক কয় "লিটিল মাষ্টাৰ" সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে চুপাৰব্যাটচমেন হিচাবে। কিন্তু সুনিল গাভাচকাৰে নিজে কয় "মই এজন চুপাৰফাইটাৰ, মই বিচাৰো মোৰ লৰাটোও যাতে তেনে হয়। সেয়েহে মই সৰুৰে পৰাই শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টৰে দাঁত মাজিবলৈ–দাঁতৰ ক্ষয় ৰোধৰ বাবে সচাঁকৈয়ে চুপাৰফাইটাৰ।"

দাঁতৰ ফাকত ৰৈ যোৱা খাদ্যকণাই ৰোগ-বীজাণু জন্মাই আৰু তাত নিৰ্গমিত এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি দাঁতৰ আলু মজবুটভাৱে সুৰক্ষিত কৰে। সেয়েহে ৰোগ বিজাণু জন্ম নহয় আৰু দাঁতবো ক্ষয়ৰোগ নহয়। ফৰহান্সৰ বিশেষ এষ্ট্ৰিনজেন্টয়ে আলু মজবুত কৰি ৰাখে। সেয়েহে দাঁতক দিয়ে মজবুত গাঠনি আৰু দীৰ্ঘায়ু কৰি ৰাখে।

সুনিলৰ ভাষাত "মই মোৰ ল'ৰাটোক দিছো ফৰহান্স কেয়াৰ। আপুনি তাৰ বাবে কি কৰিছে ?"

ফৰহান্স

GM-113/86 Ass

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

বিশেষ কথা (১)ঃ 'চান্দ্রমামা'ৰ গ্ৰাহক হ'বলৈ হ'লে বছৰেকীয়া বৰঙণিৰ টকা চান্দমামাৰ মাদ্ৰাজস্থিত ঠিকনালৈ পঠাব লাগিব ; ফটো নামকৰণ-প্ৰতিযোগিতাৰ ঠিকনালৈ কোনো ধৰণৰ টকা-পইচা নপঠাব। বছৰৰ যিকোনো মাহৰেপৰাই চান্দমামাৰ গ্ৰাহক হ'ব পাৰি। (২) চান্দমামাৰ ফটো-নামকৰণ প্ৰতিযোগিতালৈ যোগদান কৰাত বয়সৰ বাধা-নিষেধ নাই ; কিন্তু প্ৰতিযোগীয়ে বয়সৰ উল্লেখ কৰিব লাগিব। প্ৰতিযোগীৰ ঠিকনা সম্পূৰ্ণকৈ আৰু সুস্পষ্টকৈ অসমীয়া বা ইংৰাজীত লিখি পঠাব লাগিব।

অমৰ-বাণী

ব্ৰহ্মঘ্নে চ সুৰপে চ চৌৰে ভগ্নপ্ৰতে তথা ।
নিষ্কৃতির্বিতা সদ্ভিঃ কৃতঘ্নে নাস্তি নিষ্কৃতিঃ ॥

[ব্ৰহ্ম হত্যাকাৰী. মাতাল, চোৰ, ব্ৰতভংগকাৰী আদিয়ে নিষ্কৃতি লাভ কৰিব পাৰে। কিন্তু উপকাৰীৰ উপকাৰ পাহৰি যোৱাইতৰ নিষ্কৃতি নাই বুলি বিজ্ঞ লোকে কয়।

বছৰঃ ১২ জুন ১৯৮৭ সংখ্যাঃ ৩

খনেঃ ২'৫০ টকাঃ ঃ বছৰেকীয়া বৰঙণিঃ ৩০'০০ টকা

CHITRA

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

স্বপ্নৰ শক্তি—



দ্বিতীয় বিশ্বযুদ্ধৰ কালত এজন ৰুছ সৈনিকে মাতবোল কৰাৰ আৰু কাণেৰে শুনাৰ শক্তি হেৰুৱাই পেলাইছিল। দীৰ্ঘকালৰ অন্তত, সম্ভৱতে সপোনত হিটলাৰ নাজী [নাৎসী] সৈন্যবাহিনী এই ৰুছ সৈনিকজনৰ ওপৰত জঁপিয়াই পৰিল আৰু সপোনতে তেওঁ সেই নাজী-সৈন্যইতৰ বিৰুদ্ধে চিঞৰি উঠিল। পাছ মুহূৰ্ততে তেওঁ সাৰ পালে আৰু তেওঁ তেওঁৰ হেৰোৱা মাত-বোল কৰাৰ শক্তি আৰু শ্ৰৱণশক্তিও ঘূৰাই পালে।

বিয়োগান্তক—

হাবিল্ বেৰী ফিন্, টম স্তোৱেৰাৰ আদি গ্ৰন্থাৱলীৰ ৰচোঁতা বিখ্যাত মাৰ্ক টোৱেইনৰ ১৯১০ খ্ৰিষ্টাব্দত ইঅ'ৰোপত মৃত্যু হৈছিল। তেওঁৰ জীৱনৰ শেষ কাল-ছোৱাত লিখিত উপন্যাস এখন ইমানদিনলৈকে প্ৰকাশিত হোৱা নাছিল। উপন্যাসখন বিয়োগান্তক।



চকুলোৰ দাম—

চকুলো টুকিলে মনৰ শোক পাতলে—এই কথাহে সৰ্বজনবিদিত। সম্প্ৰতি ছোভিয়েত ৰুছৰ এক গৱেষণা-গাৰৰপৰা কোৱা হৈছে যে চকুলো টুকিলে বহু ধৰণৰ বেমাৰো ভাল নোহোৱা নহয়।

বান্দৰামী—

ছান্ফ্ৰান্ছিছ্‌ক'ৰ মানুহ এজনে কৈ দিব পাৰে যে কোনোবা নিৰ্দিষ্ট বান্দৰ এটা ক'ত আছে। চিৰিয়াখানা আদিৰপৰা বান্দৰ যদি পলাই যায়, এই মানুহজনৰ সহায় লোৱা হয় সেই পলৰীয়া বান্দৰক বিচাৰি উলিয়াবলৈ। মানুহজনে বান্দৰটো ক'ত-কোনখিনিত আছে—সঠিককৈ কৈ দিয়ে; কিন্তু কৰ্তৃপক্ষই বান্দৰটোক ধৰি অনাতহে টান পায়। মানুহজনে বান্দৰৰ ঠিকনা ক'ব পাৰিলেও বান্দৰৰ বান্দৰামী বন্ধ কৰিব নোৱাৰে।



পুৰাণ-গাথা

জাজিলি

জাজিলি নামৰ এগৰাকী ঋষি আছিল। পূৰ্ব সমুদ্ৰত স্নান সমাপন কৰাৰ অন্তত তেওঁ তপস্যাত বহিছিল। জাজিলি ঋষিয়ে আনকি ভয়ংকৰ জন্তু-জানোৱাৰলৈকো ভয় নকৰিছিল। তেওঁ অতি নিষ্ঠাৰে তপস্যা কৰিছিল।

এদিন ঋষি জাজিলিয়ে থিয়ৈ থিয়ৈ তপস্যা কৰি থাকোঁতে দুটা চৰাই তেওঁৰ মূৰৰ ওপৰত উৰি ফুৰিবলৈ ধৰিলে। অলপ পাছত চৰাই দুটা তেওঁৰ মূৰৰ ওপৰত বহিল। চৰাই দুটাৰ অসুবিধা নোহোৱাকৈ মন কৰি জাজিলি স্থিৰভাৱে থিয় হৈ থাকিল। তাৰ পাছত চৰাই দুটাই জাজিলিৰ মস্তকৰ ওপৰত খেৰ-কুটাৰে বাহ সাজিলে। সেই বাহত কণী দিলে। জাজিলি তেতিয়াও তেনেকৈয়েই স্থিৰ হৈ থাকিল। কেইদিনমানৰ অন্তত সেই কণীৰপৰা পোৱালি জগিল। এইদৰে, সৰ্বমুঠ এমাহ স্থিৰভাৱে থিয় হৈ থকাৰ পাছত, চৰাই-পোৱালিবোৰ যেতিয়া উৰি গুচি গ'ল, তেতিয়াহে জাজিলি পুনৰ পূৰ্ব-সমুদ্ৰলৈ গৈ স্নান সমাপন কৰিলে।

সমুদ্ৰত স্নান কৰোঁতে তেওঁৰ মনত পৰিল যে তেওঁ কিমান দিন—দীৰ্ঘদিন ধৰি-অলৰ অচল হৈ আছিল। কথাটো ভাবি তেওঁৰ হাঁহি উঠিল। তেওঁক হাঁহি থকা দেখি এটা ৰাক্ষসে তেওঁক ক'লে, "কিবা এটা সৎ কাৰ্য্য কৰাৰ পাছত সেই কাৰ্য্যৰ বাবে গৰ্ববোধ কৰিলে তাৰ সুফল নষ্ট হ'ব। সৎ কাৰ্য্য কৰাৰ পাছত অধিক বিনম্ৰহে হ'ব লাগে। এই বিষয়ে যদি অধিক জনাৰ মন আছে, কাশী নগৰীৰ তুলাধৰৰ ওচৰলৈ গ'লে তেওঁৰপৰা সবিশেষ জ্ঞান লাভ কৰিব পাৰিবা।"

ৰাক্ষসৰ কথাত ঋষি জাজিলি কাশীৰ তুলাধৰৰ ওচৰলৈ গ'ল আৰু তেতিয়াৰ দিনৰ অনন্যসাধাৰণ জ্ঞানীশ্ৰেষ্ঠ তুলাধৰৰপৰা জ্ঞানলাভ কৰি বিনয়-বিনম্ৰতাৰ শিক্ষা ল'লে।



লৌকিক-অলৌকিক

দুখীৰো দুখী হালোৱা এজনে গাঁৱৰ জমিদাৰৰপৰা পাঁচ হালিচা মাটি খুজি-মাগি ল'লে, পিছে—খাজনা ভৰিব লাগিব জোখে-জোখাৰে। খাটনি কৰিও লোটনি ধৰিও খাজনা ৰেহাই নহ'ল। এই মাটিখিনি কিন্তু মুঠেই সাৰুৱা নাছিল।

মূৰৰ ঘাম ভৰিত পেলাই হালোৱাই পৰিয়ালৰ আটাই কেউজনে মিলি উদয়াস্ত পৰিশ্ৰম কৰি যিওবা এই মাটিৰপৰা উলিয়াইছিল, এইবাৰৰ বানপানীয়ে তাৰো মুদা মাৰিলে। আনকি হালৰ গৰু এটাকো বানে উটুৱাই লৈ গ'ল। ইপিনে জমিদাৰৰ খাজনা দিব তো লাগিবই। গতিকে আন গৰুটো বেচিবলৈ হাটলৈ লৈ যাবলৈ হালোৱা হৰিৰাম ওলাল।

হাটলৈ গৈ থাকোঁতে, হাটৰ বাটত এক বিচিত্ৰ সাজ-পাৰ পিন্ধা বাওনাহেন কঁটীয়া মানুহ এটাক হালোৱা হৰিৰামে লগ পালে। কঁটীয়া মানুহটোৱে খোঁৰাই খোঁৰাই খোজ দি আছিল।

হালোৱা হৰিৰামে কঁটীয়া মানুহজনক ক'লে, "ভৰিত দুখ পাইছেনে কি? খোঁৰাই খোঁৰাই গৈছে যে—?"

"খোঁৰাই খোঁৰাই নগৈ কি ঘোঁৰাই যোৱাৰ দৰে গৈ থাকিম?" কঁটীয়াই কট্‌কট্‌কৈ ক'লে, "ভৰিত দুখ পাইছোঁ—হয়তো। ঠিক আছে, তোমাৰ এই বলধটোৰ পিঠিত উঠি গৈ থাকিম বাৰু।"

হৰিৰামে কোমল মাতেৰে ক'লে, "চাওক, বলদ ঘোঁৰাও নহয়, আৰু গাধও নহয়। গৰু-বলদৰ পিঠিত উঠিব নাপায়, উঠিলে পাপ হয় বুলি লোকে কয়।"

'কিশোৰকুমাৰ'

"লোকৰ কথা বাদ দিয়া, লোকে কি নকয়। মই খোজ দিব পৰা নাই, সৌ তাত হাবিয়নি, যদি হাবিৰপৰা কিবা এটা ওলাই মোক ধৰে—কি কৰিম তেতিয়া ?" কঁটীয়াই হালোৰাক ক'লে।

তেতিয়া হৰিৰামে ক'লে, "ঠিক কৈছে। আপদ কালত পাপেও বাপ বাপ সুঁৱৰি পলায়। ঠিক আছে—সেয়ে হওক।" হৰিৰামে কঁটীয়াক ছুহাতেৰে দাঙি গৰুটোৰ পিঠিত বহুৱাই দিলে।

তাৰ পাছত কঁটীয়াই হালোৱা হৰিৰামৰপৰা তাৰ কাহিনী শুনিলে আৰু হৰিৰামক ক'লে, "বলধটোক বেচিবাই যদি—ময়ে দেখোন কিনিব পাৰোঁ।"

কঁটীয়াৰ প্ৰস্তাৱত মান্তি হোৱাত কঁটীয়াই বলদটো কিনি ল'লে, আৰু দাম হিচাপে কঁহৰ লোটা এটা দিলে।

আৰু ক'লে, "এয়া হ'ল তোমাৰ বলধটোৰ বেচ। লোটাটো লৈ তুমি এতিয়া ঘৰলৈ উভতি যোৱা।"

হৰিৰামে অবাক হৈ সুধিলে, "গৰুটোক বেচি জমিদাৰৰ খাজনা দিম বুলি হে মই ওলাইছিলোঁ। এই লোটাটোৰেনো জমিদাৰক খাজনা দিম কেনেকৈ ?"

কঁটীয়া-বজৰুৱে এমুখ হাঁহিৰে ক'লে, "হে হে—এই লোটাক তুমি লাকটি-পাকটি বুলি ভাবিছানে কি? এই লোটা লাখটকীয়া লোটা। এই লোটাৰ যহতে



তোমাৰ কপাল ফুলিব, দুখ গুচিব।” এই বুলি কৈয়েই সেই কঁটীয়া বজৰুৱে লোটা-টোৰ ঢাকনীখন গুচাই দিলে আৰু লগে লগে লোটাটোৰ ভিতৰফালৰপৰা সুমধুৰ সংগীত শুনা গ'ল। কেইমুহূৰ্তমানৰ পাছত পুনৰ ঢাকনীখন বন্ধ কৰি কঁটীয়া-বজৰুৱে ক'লে, “যক্ষইহে ইমান ভাল গীত গাব পাৰে, আন কোনেও নোৱাৰে। বুজিলা ?”

“বুজিলোঁ। পিছে—এই গীতেৰেই আমাৰ পেট ভৰিবনে বাৰু ?” হৰিৰামে কথাটো চাফ চাফকৈ জানিব খুজিলে।

কঁটীয়াই ক'লে, “হা কপাল! মই তোমাক আচল কথাটোকে ক'বলৈ পাহৰি থাকিলোঁ। তোমাৰ যেতিয়াই যি আৱশ্যক হ'ব, লোটাটোক ক'লেই পাবা। লোটা-টোক ক'বা, ‘হে লোটা, তুমি মোক সহায় কৰা।’ বছ।” এই বুলি কোৱাৰ পাছত কঁটীয়া তাত আৰু নৰ'ল, গৰুটোৰ পিঠিত বহিয়েই তাৰপৰা গুচি গ'ল,

হালোৱা হৰিৰামে কৰে আৰু কি। লোটাটো হাতত লৈ, মুখত কোবোৱা দমৰাহেন হৈ ঘৰ পালেহি। ঘৈণীয়েকে সকলো কথা শুনি ক'লে, “তোমাক যে সেই বাওনাই ৰামঠগন দিলে সেই কথা দেখা কথা। পিছে—এই কথা লৈ হিয়া ধুনি থাকি লাভ নাই, কপালৰ আঁক কোনেও মচিব নোৱাৰে, হ'বলগা হ'ল।”

“কিন্তু—” হৰিৰামে ক'লে, “লোটা-

টোক পৰীক্ষা কৰিলেই দেখোন লেঠা ছিগে।” এই বুলি কৈয়েই হৰিৰামে লোটাটোৰ ঢাকনীখন গুচাই পুনৰ ক’লে, “হে লোটা, তুমি মোক সহায় কৰা।”

আৰু লগে লগে লোটাটোৰপৰা দুটা বাওনা ওলাই আহিল আৰু অজস্ৰ সোণৰ মুদ্ৰা হৰিৰামক দিলে। তাৰ পাছত—চাওঁতে চাওঁতে সোণৰ কাঁহীত বিভিন্ন খোৰাবস্তু লৈ আহিল আৰু তাৰ পাছত বাওনা দুটা পুনৰ লোটাটোৰ ভিতৰলৈ সোমাই গ’ল।

সোণৰ মুদ্ৰা আৰু কাঁহী-বাটিবোৰ বেচি হৰিৰামে এটা মস্ত অট্টালিকা সাজিলে। হৰিৰাম এতিয়া এজন ধনী মানুহ। এনেকৈ হঠাৎ ধনী হোৱাৰ ৰহস্য গাঁৱৰ জমিদাৰেও নজনাকৈ নাথাকিল। আৰু এদিন হৰিৰাম যেতিয়া পা-পৰিয়ালে আন ঠাইলৈ গ’ল, তেতিয়া জমিদাৰে হৰিৰামৰ ঘৰৰপৰা সেই লোটাটো আজৰ চুৰ কৰি লৈ গ’ল।

হৰিৰাম আকৌ আগৰ দৰে অসহায় হৈ পৰিল। ঘৈণীয়েকে কঁটীয়াক যেনে তেনে লগ ধৰিবলৈ ক’লে হৰিৰামক।

এবুকু হতাশা লৈ হৰিৰাম সেই বাটেদি গৈ থাকিল। গৈ থাকিল—গৈয়েই থাকিল। হঠাৎ এজোপা গছৰপৰা কোনোবাই হৰিৰামক কৈ উঠিল, “হেৰা, তোমাৰ কি হ’ল? লোটাটোৰপৰা কিবা সহায়-সাৰথি পোৱা নাইনে কি?”

গছৰ ডালত বহি থকা কঁটীয়া-বজকৰেই হৰিৰামক কথাবোৰ সুধিছিল।

হৰিৰামে কৈ উঠিল, “হাৰে! তোমাক লগ ধৰিবলৈহে আহিলোঁ। লোটাটো আমাৰ গাঁৱৰ জমিদাৰে মোৰ ঘৰৰপৰা চুৰি কৰি লৈ গ’ল আৰুময়ো পুনৰ আগৰ দৰে ছাল ছিগাটো হৈ পৰিলোঁ।”

এই কথা শুনি কঁটীয়া বজকৰে তৎক্ষণাৎ গছৰ খোৰোঙৰপৰা ৰূপৰ লোটা এটা উলিয়াই আনি হৰিৰামক দিলে।

আৰু হৰিৰামে ৰূপৰ লোটা পোৱাৰ

কথাটোও জমিদাৰে নজনাকৈ নাথাকিল। কিন্তু বহু চেষ্টাতো এই লোটাটো একোপধ্যে চুৰি কৰিব নোৱাৰি, জমিদাৰে হালোৱা হৰিৰামক ভাত খাবলৈ মাতিলে। জমিদাৰে আন ভালেমান গণ্য-মান্য লোককো ভাত খাবলৈ মাতিছিল।

জমিদাৰে হৰিৰামলৈ আঙুলিয়াই নিমন্ত্ৰিতসকলক ক'লে, "ইমান দিন ধৰি দুখীৰো দুখী হালোৱা হৈ থকা আমাৰ হৰিৰাম এতিয়া এটা অলৌকিক লোটাৰ যহতে সুখীৰো সুখী হ'ল।" তাৰ পাছত জমিদাৰে হৰিৰামক তাৰ সেই আজৰ লোটাৰ অলৌকিকত্ব প্ৰদৰ্শন কৰিবলৈ অনুৰোধ কৰিলে।

হৰিৰামেও তাৰ লগত লৈ অহা ৰূপৰ লোটাটো উলিয়াই লৈ কৈ উঠিল, "হে লোটা তুমি মোক সহায় কৰাঁ।"

আৰু পাছ মুহূৰ্ততে লোটাটোৰপৰা এক বিৰাট ধূম ক'লা দৈত্য ওলাই আহি জমিদাৰক মাৰি ভৈয়াম কৰিবলৈ ধৰিলে। জমিদাৰে 'আই ঔ' 'মৰিলোঁ ঔ' বুলি চিঞৰি চিঞৰি হৰিৰামক ক'লে, "হে হৰি! অ' হৰিৰাম! দৈত্যটোক লোটাত বন্ধ কৰাঁ। মোক বচোৱা-ৰা-ৰা!"

তেতিয়া হৰিৰামে ক'লে, "আপুনি চুৰি কৰি লৈ অহা সেই কাঁহৰ লোটাটো মোক ওভোতাই দিলেই ই লোটাৰ ভিতৰত সোমাবগৈ।"

লগে লগে একেলৰে ঘৰলৈ গৈ জমিদাৰে হৰিৰামৰ আগৰ লোটাটো আনি দিলে আৰু দৈত্যটোও নিমিষতে নোহোৱা হ'ল।

তাৰ পাছত হৰিৰামে বহু ভাবি-গুণি দুয়োটো লোটাকে এঠাইত মাটিৰ তলত পুতি থ'লে। হৰিৰামে ভাবিলে: অলৌকিকত্বৰ ওপৰত নিৰ্ভৰ কৰি বিপদ চপাই লোৱাতকৈ লৌকিক কাম-বন কৰি সুখে-দুখে সংসাৰ কৰাটোৱেই ভাল।

জীৱন-লগৰী

শ্ৰীকান্তৰ একমাত্ৰ ছোৱালী শান্তা যেতিয়া বিবাহযোগ্যা হৈ উঠিল; তেতিয়া এদিন তাই তাইৰ দেউতাকক ক'লে, "দেউতা, আগৰ দিনত ছোৱালীহঁতৰ বিয়াৰ কাৰণে স্বয়ম্বৰ সভা পতা হৈছিল, ছোৱালীয়ে যাক মন যায় বিয়া কৰাব পাৰিছিল; কিন্তু এতিয়া আৰু সেইদিন নাই। পিছে—তুমি যদি বেয়া নোপোৱা, মই মোৰ পছন্দমতে বিয়া কৰাম।" শ্ৰীকান্তই জীয়েকৰ প্ৰস্তাৱ মানি ল'লে।

কিন্তু পিতেক-জীয়েকৰ মাজত হোৱা কথাখিনি আন কিছুমানেও যে কেনেকৈ জানিলে কোৱা টান। যি কি নহওক—শান্তাক বিয়া কৰাবলৈ নগৰ আৰু সাগৰ নামৰ দুজন যুৱক আগ্ৰহী হ'ল। নগৰ আছিল আঢ্যৱন্ত পৰিয়ালৰ ল'ৰা। সাগৰ আঢ্যৱন্ত পৰিয়াল নহয়; কিন্তু বুদ্ধিমান।

শান্তাই সিহঁত দুয়োজনক ক'লে, "আপোনালোকে মোৰ কাৰণে উপহাৰ লৈ আহিব। যিজনৰ উপহাৰ ভাল পাম, আৰু যিজনৰ উপহাৰ ওভোতাই দিব নোৱাৰিম, মই তেওঁকে বিয়া কৰাম।"

নগৰে তৎক্ষণাৎ এধাৰ মুকুতাৰ হাৰ কিনি লৈ আহিলগৈ আৰু শান্তাক দিলে। কিন্তু সাগৰে তেনেকুৱা উপহাৰ নানিলে। সাগৰে সাত দিন ধৰি এখন গ্ৰন্থ ৰচনা কৰিলে। সেই গ্ৰন্থৰ সাৰকথা হ'ল যে ধনে মানুহলৈ সুখ-শান্তি কঢ়িয়াই আনিব নোৱাৰে। ধনেৰে মৰম-ভালপোৱাও পোৱা নাযায়। যাৰ যিমান ধন, তাৰ সিমান দুখো থাকে। সাগৰে ক'লে, "মোৰ এই গ্ৰন্থখনেই তোমালৈ মোৰ মৰমৰ উপহাৰ।"

গগন ব্ৰহ্ম

এমাহৰ অন্তত নগৰৰ দেউতাকে শান্তাক ক'লেহি, "মোৰ ল'ৰাটোক বহুৱা তুলি তুমি তাৰপৰা মুকুতাৰ হাৰ আদায় কৰিলা। তুমি তাক বিয়া কৰাব খুজিলেও মই মান্তি নহওঁ। সি তোমাক দিয়া মুকুতাৰ হাৰডাল ঘূৰাই দিয়া।"

এই কথাৰ উত্তৰত কি যে ক'ব-নক'ব শান্তাই ভাবি উলিয়াব নোৱাৰিলে। এনেতে নগৰো তাত উপস্থিত হ'লহি। নগৰে তাৰ দেউতাক ক'লে, "তুমি যদি মুকুতাৰ হাৰডাল ঘূৰাই লোৱা, মই আৰু তোমাৰ সৈতে সা-সম্পৰ্ক নাৰাখোঁ।"

পুতেকৰ পাণ্ডা উঠা কথা শুনি পিতেক তাৰপৰা গুচি গ'ল।

তেতিয়া নগৰে শান্তাক ক'লে, "যি হ'ল ভালেই হ'ল। আমাৰ বিয়াত দেউতাই আৰু হকা-বধা কৰিব নোৱাৰিব।"

শান্তাই গহীন মতেৰে ক'লে, "চাওক, উপহাৰ মই পালোঁ দুয়োজনৰেপৰা। মোৰ মতামত আজি গধূলিতে জনাম। আপোনা-লোক দুয়োজনেই গধূলিৰ আগে আগে মোৰ ওচৰলৈ আহিলে ভাল পাম।"

গধূলিপৰতে সাগৰ আৰু নগৰো আহিল। শান্তাই মুকুতাৰ হাৰডাল নগৰক ওভোতাই দিলে আৰু ক'লে, "আপুনি ধনেৰে আপোনাৰ ভাল পোৱাৰ মূল্যায়ন কৰিলে। মই যদি আপোনাক বিয়া কৰাওঁ, তেনেহ'লে মানুহে মোক ধনৰ

বলিশালত বলি যোৱা বুলি ক'ব। মুকুতাৰ হাৰতকৈ বহু গুণে মূল্যৱান সাগৰৰ গ্ৰন্থখন পঢ়াৰ আগতে এই জ্ঞান মোৰ নাছিল। মৰম-ভালপোৱা যে ধনেৰে কিনিব নোৱাৰি, ধনেই যে দুখৰো মূল— সেইবোৰ কথা সাগৰৰ গ্ৰন্থ পঢ়িহে মই জানিব পাৰিলোঁ।"

তাৰ পাছত শান্তাই সাগৰক তাৰ গ্ৰন্থৰ পাণ্ডুলিপিও ওভোতাই দিলে আৰু ক'লে, "মোৰ মন যাতে নগৰলৈ ঢাল নাখায়, নগৰৰ প্ৰতি যাতে মই আকৰ্ষিতা নহওঁ, তাৰ কাৰণে বোধকৰোঁ আপুনি ইমান শ্ৰম কৰি গ্ৰন্থখন লিখিলে। মোৰ এই মূল্যায়ন সঠিক নহয়নে?"

সাগৰে ক'লে, "শান্তা, তোমাৰ মূল্যায়ন সঠিক নহ'ল। যি উপহাৰ ঘূৰাই দিব নোৱাৰি, সেই উপহাৰ দিওঁতাজনক বিয়া কৰাবা বুলি তুমি কোৱা নাছিলা জানো? তোমাৰ এই প্ৰতিশ্ৰুতিৰ কথা মনত ৰাখিয়েইহে মই গ্ৰন্থ ৰচনা কৰিছিলোঁ, নগৰৰ বিৰুদ্ধে নহয়। এতিয়া, মোৰ গ্ৰন্থৰ পাণ্ডুলিপি ওভোতাই দিলেও— মোৰ গ্ৰন্থত থকা কথাখিনি তোমাৰ মনত থাকিবই, ওভোতাই দিব নোৱাৰিবা।"

সাগৰৰ গভীৰ বুদ্ধিৰ চিনাকি পাই শান্তা মুগ্ধ হ'ল।

নগৰে কৈ উঠিল, "যাৰ উপহাৰ ওভোতাই নিদিব, তাকেই বিয়া কৰাব বুলি শান্তাই আমাক কৈছিল। সাগৰ, শান্তাৰ প্ৰতিশ্ৰুতিৰ এই গূঢ় অৰ্থ একমাত্ৰ তুমিহে ঠিকমতে বুজি পাইছিলা, মই ব্যৰ্থ হৈছিলোঁ। তুমি যথেষ্ট বুদ্ধিমত্তাৰে যিটো বস্তু শান্তালৈ উপহাৰ হিচাপে আগ বঢ়ালা, শান্তাই হাজাৰ চেষ্টাতো সেই বস্তু ওভোতাই দিব নোৱাৰে। সেয়েহে—মোৰ মতে, তুমিয়েই শান্তাৰ যোগ্য জীৱন-লগৰী।" এই বুলি কৈ, নগৰ তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।



১২

দেশদ্ৰোহী-ৰাজদ্ৰোহী নাগবৰ্মা আৰু তাৰ অনুচৰ জ্বালাদ্বীপিয়া চৰ্দাৰ কৰবীৰে কথমাপ চিত্ৰসেনৰ সৈন্যহঁতৰ কবলৰপৰা ৰক্ষা পৰিলে আৰু বহু কৌশলেৰে গভীৰ অৰণ্যলৈ পলাই সাৰিলে। ৰাজকুঁৱৰী কান্তিমতীৰ বিবাহো চিত্ৰসেনৰ সৈতে হৈ গ'ল। বিয়াৰ দিনা চিত্ৰসেনে সকলোলৈকে বিভিন্ন ধৰণৰ উপহাৰ আগবঢ়ালে আৰু উগ্ৰাক্ষক তাৰ মনেখোৱা উপহাৰ খুজি ল'বলৈ ক'লে। উগ্ৰাক্ষই চিত্ৰসেনৰপৰা তেওঁৰ প্ৰথম সন্তানটো পাঁচ বছৰীয়া হোৱাৰ লগে লগে তাক দিয়াৰ উপহাৰ খোজাত চিত্ৰসেনে তেওঁৰ প্ৰতিশ্ৰুতিমতে সেই অভাৱিত তথা বেদনাদায়ক উপহাৰ মঞ্জুৰ কৰিলে। আৰু তাৰ পাছত···

উগ্ৰাক্ষই চিঞৰি চিঞৰি তাৰ অনুচৰহঁতক মাতিলে। লগে লগে ৰাক্ষস অনুচৰহঁত উগ্ৰাক্ষৰ ওচৰলৈ লৰৰি আহিল। উগ্ৰাক্ষই সিহঁতৰ মাজত থিয় হৈ, চিত্ৰসেনক ক'লে, "মহাৰাজ, আপুনি যিকোনো দিন যিকোনো সহায়ৰ বাবে খবৰ পঠায় যদি— আমি বিজুলীগতিৰে উপস্থিত হ'ম। আনকি আপুনি যদি এটা পাৰচৰাই বা কুকুৰ এটাকো আমালৈ পঠায়, তথাপি আমি সদলবলে আপোনাৰ ওচৰ পামগৈ।"

উগ্ৰাক্ষৰ কথা শুনি মিচিকীয়াই হাঁহি চিত্ৰসেনে ক'লে, "উগ্ৰাক্ষ, তোমাৰ এই উদাৰ প্ৰস্তাৱৰ বাবে ধন্যবাদ। কিন্তু এনেবোৰ সহায় নলগা ধৰণেহে মই ৰাজ্যশাসন কৰিবলৈ বিচাৰোঁ। এতিয়া অন্য এটা কথা কওঁ। নাগবৰ্মাই যে তাৰ অন্যতম অনুচৰ কৰবীৰৰে সৈতে অৰণ্যত আছে, আমাৰ চকুত যেনেকৈয়েই নহওক বালি মাৰি পলাই গৈছে, সেই কথাত সন্দেহ নাই। তোমাৰ অনুচৰহঁতে যদি সিহঁত দুটাক ধৰি মোৰ ওচৰত লৈ আহিব পাৰে, মোৰ, তথা তোমাৰ পক্ষেও বৰ ভাল কথা হ'ব। কিয়নো, কেতিয়াবা যদি মোৰ, বা তোমাৰো, কোনো বিপদ-বিঘিনি ঘটে, তেনেহ'লে সেই বিপদ-বিঘিনি এই নাগবৰ্মা আৰু জ্বালাদ্বীপিয়া কৰবীৰৰ কাৰণেই ঘটিব।"

"মহাৰাজ, সিহঁত আমাৰ চকুত বালি মাৰি পলাল; কিন্তু এই অৰণ্যত বৰ বেছি দিনলৈ নিঃচিন্ত মনেৰে ঘূৰি ফুৰিব নোৱাৰিব যেন পাওঁ। মোৰ অনুচৰহঁতৰ আধামানক সিহঁত দুটাক যেনেতেনে বিচাৰি উলিওৱাৰ কামত লগাম।"

কিন্তু এই কথা শুনি অমৰপাল মুঠেই উৎসাহিত নহ'ল। নাগবৰ্মাক অৰণ্যত বিচাৰি পোৱাৰ আশা নাই—অমৰপালৰ দৃঢ় ধাৰণা। "নাগবৰ্মাই ইমানপৰে পূব সমুদ্ৰস্থিত জ্বালাদ্বীপলৈ বুলি যে আগবাঢ়ি যোৱা নাই, সেই কথা কোনেও নঃদি ক'ব নোৱাৰে।" অমৰপালৰ কথাত চিত্ৰসেনে মূৰ দুপিয়ালে।

তাৰ পাছত তিনিমাহ উকলিল। আৰু এদিন চোৰাংচোৱাহঁতৰপৰা বাতৰি পোৱা গ'ল। সিহঁত যে দক্ষ—কথা মাত্ৰ সিমানেই নহয়; সিহঁতে মৰণপণ কৰি যে এই কামত দেহে-কেহে লাগি পৰিছে সেই বিষয়তো বাতৰি কঢ়িয়াই আনোতাসকল নিঃসন্দেহ। আৰু নিঃসন্দেহ হ'ল স্বয়ং ৰজা চিত্ৰসেন।

কিন্তু আচৰিত কথা, গাঁৱৰ পিছত গাঁৱত জুই লগোৱাৰ বা লুটপাত কৰাৰ অন্ততো সিহঁতৰ মাজত এটাও ধৰা নপৰিল প্ৰায়। যিওবা দুই-এটা ধৰা পৰিছিল, ধৰা পৰাৰ প্ৰায় লগে লগেই সিহঁতকেটাৰ মৃত্যু হ'ল। ধৰা পৰাৰ মুহূৰ্ততে সিহঁতে বিষ খায়, আৰু চাওঁতে চাওঁতে মৰি যায়। তাৰ ফলত—এইবিলাক ক'ৰ মানুহ- কাৰ মানুহ, সিহঁতক কোনে পঠাইছে—তাৰ সন্দেহ পোৱাৰ আগতেই সিহঁতৰ মৃত্যু হৈছে।

এনে অৱস্থাত—চিত্ৰসেনে ভাবি-গুণি ব্যৱস্থা এটা ল'লে। তেওঁ নিজৰ সৈন্যহঁতক দেশৰ বিভিন্ন অঞ্চললৈ পঠালে। দেশৰ সীমান্তত কটকটীয়াকৈ পহৰাৰ বন্দৰস্ত কৰিলে। অচিনাকি মানুহক দেখা মাত্ৰেই ধৰিবলৈ আদেশ দিলে। আৰু লগতে এই ঘোষণা কৰিলে যে—যদিহে কোনোবাই বেহা-বেপাৰ কৰিব খুজিছে তাৰো সুবিধা দিয়া হ'ব।"

এই ৰাজকীয় ঘোষণাৰ এসপ্তাহৰ পাছত কমেও পঞ্চাছজন মানুহ চিত্ৰসেনৰ ওচৰলৈ আহিল। চিত্ৰসেনে অমৰপালক লগত লৈ সিহঁতৰ ওচৰলৈ গ'ল। অমৰ-পালে সেই পঞ্চাছজনলৈ ভালকৈ নিৰীক্ষণ কৰাৰ অন্তত চিত্ৰসেনক ক'লে, "মহাৰাজ, ইহঁতৰ মাজত নাগবৰ্মাৰ অনুচৰ কেইটা-মানকো দেখা পাইছোঁ। ইহঁতক আপুনি সাপৰ দৰে গণ্য কৰিব পাৰে।"

চিত্ৰসেনে সিহঁতক সুধিলে, "তোমা-লোকৰ নেতা নাগবৰ্মা ক'ত আছে?"

"মহাৰাজ, আগতে আমি সঁচাকৈয়েই নাগবৰ্মাৰ অনুচৰ হৈ আছিলোঁ। কিন্তু আপুনি যেতিয়া মহাৰাজ বীৰসিংহদেউৰ প্ৰাসাদ অধিকাৰ কৰিলে, তেতিয়া আমি যি যেনিয়েদি পাৰিছিলোঁ—পলাই গৈছিলোঁ। এতিয়া আমাৰ কোনো নেতা নাই। আমি এতিয়া নাজল-নাথল হৈ আছোঁ আৰু লুটপাত কৰি পেট

প্ৰৱৰ্তাইছোঁ। নাগবৰ্মা ক'ত আছে, কি কৰিছে আমি একো ক'ব নোৱাৰোঁ।" সেই পঞ্চাছজনৰ মাজত এজনে ক'লে।

"তোমালোকৰ কথা যে সত্য—তাৰ প্ৰমাণ?" চিত্ৰসেনে প্ৰশ্ন কৰিলে।

"মহাৰাজ, আপোনাৰ ঘোষণা শুনিহে আমি আত্মসমৰ্পণ কৰিছোঁ! আমি আপোনাৰ আজ্ঞাবহ প্ৰজা হৈ, আপোনাৰ তলতীয়া হৈ থাকিব খুজিছোঁ।"

"ঠিক আছে। তোমালোকৰ কথা বিশ্বাস কৰি তোমালোকৰ প্ৰতিজনকে খেতি-বাতি কৰিবলৈ জোখে-জোখাৰে মাটি দিম। কিন্তু দেশৰ বিভিন্ন অঞ্চলত লুটপাত কৰি, জুই লগাই, অত্যাচাৰ কৰি ফুৰা নিশ্চয় মাত্ৰ পঞ্চাছজনেই নহয়; তেনেস্থলত—আনবিলাকে কি কৰিব!" চিত্ৰসেনে সুধিলে।

"মহাৰাজ, আপুনি আমাক ক্ষমা কৰাৰ কথা, বিশেষকৈ আমাক মাটি-বাৰী দিয়াৰ কথা জনাৰ পাছত সিহঁতেও নিশ্চয় আত্মসমৰ্পণ কৰিবহি।"

অমৰপালে চিত্ৰসেনক শুন-নুশুনকৈ ক'লে, "মহাৰাজ, ইহঁতৰ কথাত বিশ্বাস নকৰিব। ইহঁতে ৰাজদ্ৰোহী নাগবৰ্মাৰ পৰামৰ্শমতে যে এইবোৰ কথা কোৱা নাই—তাৰ প্ৰমাণ কি? মহাৰাজে ইহঁতক কাৰাগাৰত ভৰাই থওক।"

"নহয় অমৰপাল, তেনে কৰিলে—প্ৰজাই মোৰ কথা আৰু কদাপি বিশ্বাস নকৰা হ'ব।" চিত্ৰসেনে ক'লে।

"তেনেহ'লে—মহাৰাজ, মই সিহঁতক অলপ টুকুৰিয়াই চাওঁনে?"

অমৰপালৰ কথাত চিত্ৰসেনে নীৰৱে সন্মতি দিয়াত অমৰপালে সেই পঞ্চাছ-জনলৈ চাই ক'লে, "শুনা, আমাৰ মহাৰাজৰ ধাৰণা, তোমালোকৰ মাজত কেইজনমানে নাগবৰ্মা আৰু কৰবীৰৰ খা-খবৰ জানা। তোমালোকে এই কথাটো কৈ দিয়া, নহ'লে তোমালোকক হত্যা কৰা হ'ব।"

এই কথা শুনি সেই পঞ্চাছজনৰ মাজত দাৰুণ অস্থিৰতাৰ সৃষ্টি হ'ল। সিহঁতে পৰস্পৰলৈ চালে। অলপ পাছত সিহঁতৰ মাজত এজনে গম্ভীৰ কণ্ঠেৰে ক'লে, "মহাৰাজ, আমি আমাৰ জীৱনৰ মায়া পৰিত্যাগ কৰিয়েই আপোনাৰ ওচৰলৈ আহিছিলোঁ। আমাৰ ওঁঠৰ তলত যি বিষ আছে, সেই বিষ জিভাত দিয়াৰ লগে লগেই আমাৰ মৃত্যু হ'ব। সেয়েহে—আমি শেষ বাৰলৈ কওঁ, শপত খাই কওঁ নাগবৰ্মা আৰু কৰবীৰৰ খা-খবৰ আমি একোৱেই নাজানো।"

তেতিয়া সিহঁতৰ কথা চিত্ৰসেনে, আৰু অমৰপালেও বিশ্বাস কৰিলে। তাৰ পাছত চিত্ৰসেনে মিচিকীয়াই হাঁহি মাৰি সিহঁতক ক'লে, "তোমালোকৰ কথাত আস্থা স্থাপন কৰি আজিৰপৰা তোমালোকক মই মোৰ প্ৰজা হিচাপে আদৰি লৈছোঁ। মোৰ প্ৰজাবৰ্গই যিবোৰ সা-সুবিধা পায়, আজিৰপৰা তোমালোকেও সেইবোৰ সা-সুবিধা পাবা। তোমালোকক আজিয়েই মাটি দিয়া হ'ব।"

এই কথা কথা শুনি সেই পঞ্চাছজনে ৰজা চিত্ৰসেনৰ নামত জয়ধ্বনি দিলে।

লুণ্ঠনকাৰীহঁতকৰ ক্ষমা কৰাৰ কথা বনাগ্নিৰ দৰে বতাহত বিয়পি পৰিল আৰু দলে দলে লুণ্ঠনকাৰী ৰজা চিত্ৰসেনৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ ধৰিলে।

এতিয়াৰপৰা দেশত শান্তিৰ বা বলিব বুলি ভাবিও চিত্ৰসেনে ভাবিলেঃ তেনেহ'লে সেই নাগবৰ্মা ক'লৈ গ'ল? সি যদি জীয়াই আছে—আছেগৈ ক'ত? সিনো কি কৰিছে এতিয়া? —অমৰপালে নিশ্চয় কেতিয়াবা কৈছিল যে নাগবৰ্মা কৰবীৰৰ লগ লাগি জ্বালাদ্বীপলৈ গ'ল। আৰু—নাগবৰ্মাই যে এদিন সেই ভয়ংকৰ চৰাইবিলাকৰ পিঠিত উঠি পুনৰ ইয়ালৈ আহিব আৰু চিত্ৰসেনৰ ওপৰত জ'পিয়াই পৰিব—সে কথাতো অমৰপাল আছিল নিঃসন্দেহ।

কিন্তু আনন্দ নাই চিত্ৰসেনৰ মনত। পুত্ৰ-সন্তান পায়ো হেৰুৱাব লাগিব। আগতে আছিল ওঠৰ বছৰৰ কথা, পাছত হ'ল পাঁচ বছৰ। পুত্ৰটি পাঁচ বছৰীয়া হোৱাৰ লগে লগে উগ্ৰাক্ষক দিব লাগিব।

পুত্ৰসন্তান হোৱাৰ বাতৰি পাই উগ্ৰাক্ষো লৰি আহিল আৰু আহিয়েই ক'লে, "মহাৰাজ, মনত আছে নিশ্চয় আপোনাৰ সেই উপহাৰৰ প্ৰতিশ্ৰুতিৰ কথা? ঠিক পাঁচবছৰ পূৰ হোৱাৰ দিনা মই এই পুত্ৰটিক লৈ যামহি।" এই বুলি কৈ, উগ্ৰাক্ষ তাৰপৰা গুচি গ'ল।

*

কেইবছৰমানৰ অন্তত ৰাতিৰ পৰতে আকাশত জুইশিখা দেখা পোৱা বুলি প্ৰজাবৰ্গই কৈ থকা শুনি চিত্ৰসেনে বুজি পালে যে এই জুইশিখা প্ৰকৃতপক্ষে জ্বালাদ্বীপৰ ভয়ংকৰ অগ্নিপক্ষী। চিত্ৰসেন কিংকৰ্তব্যবিমূঢ় হৈ পৰিল। দেশৰ আকাশত অগ্নিপক্ষী—যাৰ অৰ্থ হ'ল ধ্বংস!

চাওঁতে চাওঁতে পাঁচ বছৰ পূৰ হ'ল আৰু পাঁচ বছৰ পূৰ হোৱাৰ দিনাই উগ্ৰাক্ষো ওলালহি। উগ্ৰাক্ষই ক'লে, "মহাৰাজ! মই মোৰ উপহাৰ ল'বলৈ আহিলোঁ। পুত্ৰটি ক'ত?"

"ৰ'বা। সি নতুন চোলা-কাপোৰ

নাগবৰ্মা আৰু কৰবীৰৰ সঠিক খবৰ একো নজনাত চিত্ৰসেনে সদায় অস্বস্তি তথা আশংকাত কটাইছিল। আৰু ঠিক এনে সময়তে পত্নী কান্তিমতী গৰ্ভৱতী হোৱাৰ কথা শুনি চিত্ৰসেনে তভক খাই ৰৈ দিলে। চিত্ৰসেনৰ মনত পৰিল উগ্ৰাক্ষক দিয়া প্ৰতিশ্ৰুতিৰ কথা। চিত্ৰসেন অতি বেয়া ধৰণে বিচলিত হৈ উঠিল।

কেইমাহমান উকলিল। তাৰ পাছত এদিন এক সুন্দৰ প্ৰভাতত বেলি ওলোৱাৰ লগে লগে ৰাণী কান্তিমতীয়ে এটি পুত্ৰ সন্তান প্ৰসৱ কৰিলে। সমগ্ৰ দেশত আনন্দৰ জোৱাৰ বৈ গ'ল।

CHITRA

আৰু আ-অলংকাৰ পিন্ধি আহিব। অলপ-ৰ'বা।" চিত্ৰসেনে উগ্ৰাক্ষক ক'লে।

একমাত্ৰ ল'ৰাটোক লৈ যাব; কিন্তু চিত্ৰসেনৰ মাতত বা মুখ-চকুতো বিষাদ-বেদনাৰ চিনমাত্ৰো দেখা নাপাই উগ্ৰাক্ষ বিস্মিত হ'ল। উগ্ৰক্ষাই ভাবিলেঃ কথানো কি? ল'ৰাটো খুঁত থকানে কি? কণা? খোঁৰা? কলা? বোবা? —কি?

উগ্ৰাক্ষই এইবোৰ সাতে-সোতৰই ভাবি থাকোঁতে এটি সুস্থ-সুন্দৰ পাঁচবছৰীয়া ল'ৰাক চিত্ৰসেনৰ ওচৰত লৈ অহা হ'ল। ল'ৰাটোক পলকতে কোলাত দাঙি লৈ উগ্ৰাক্ষই চিত্ৰসেনক ক'লে, "মহাৰাজ, প্ৰতিশ্ৰুতি ৰক্ষা কৰা বাবে মই ওলগ জনাইছোঁ আপোনালৈ। মোক এতিয়া বিদায় দিয়ক।" এই বুলি কৈ, এপলকমান ৰৈ, ল'ৰাটোক কোলাত লৈ, উগ্ৰাক্ষ তাত আৰু নৰৈ অৰণ্যলৈ বুলি আগবাঢ়িল।

অৰণ্যৰ মাজেদি কিছুদূৰলৈ আগবাঢ়ি যোৱাৰ পাছত ল'ৰাটোৱে উগ্ৰৰক্ষক ক'লে, "দে'তা, অ—দে'তা, সৌ যে গছৰ তলত খৰিকাঠ এডোকৰ পৰি আছে, আনাচোন। এডাল ভাল লাঠি হ'ব।"

উগ্ৰাক্ষই সুধিলে, "সেই লাঠিডালেৰে তুমিনো কি কৰিবা?"

"এ—তাকো নাজানা?" ল'ৰাটোৱে ক'লে, "পাকঘৰতে ৰান্ধি থাকোঁতে যদি কুকুৰ-মেকুৰী সোমায়—লাঠিৰে মাৰিব লাগে নহয়? সেই দেখিয়েই মোৰ দে'তাই মোক পাকঘৰৰ পিৰালিত বহুৱাই থয়।"

"তোমাৰ দেউতাই কি কৰে?" ভুৰু কোঁচাই উগ্ৰাক্ষই ল'ৰাটোক সুধিলে।

"এ—তাকো নাজানা? মোৰ দে'তাই ৰান্ধে-বাঢ়ে।" ল'ৰাটোৱে ক'লে।

ল'ৰাটোৰ মুখৰপৰা এই কথা শুনিয়েই উগ্ৰাক্ষই ল'ৰাটোক পুনৰ কোলাত দাঙি ল'লে আৰু দাঙি লৈয়েই দ্ৰুতগতিৰে পুনৰ কপিলপুৰলৈ গৈ থাকিল। [অহা সংখ্যাত



আত্মশক্তি

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, কেতিয়াবা কেতিয়াবা বিবেকবুদ্ধিহীন কাৰ্য্যৰ ফলত কঠোৰ শ্ৰমো অথলে যায় আৰু দহোৰাইজৰ হাঁহিয়াতৰ পাত্ৰ হৈ পৰিব লাগে। উদাহৰণস্বৰূপে মই তোমাক সুনন্দৰ কাহিনী কওঁ শুনা। এই কাহিনী শুনি শুনি থৈ থাকিলে আন একো নহ'লেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে ঃ

জ্বালামুখীদেশৰ এজন ৰজা আছিল জলন্ধৰ। ৰজা জলন্ধৰ আছিল ধাৰ্মিক

'বেতাল-কথা'

আৰু নিৰপেক্ষ প্ৰজাপালক। ৰজা জলন্ধৰৰ কোনো পুত্ৰসন্তান নাছিল : তেওঁৰ আছিল এজনী মাথোন জীয়েক। ৰাজকুঁৱৰীৰ নাম আছিল জিনিয়া।

পুহসন্তান নথকাত, ৰজা জলন্ধৰে কুঁৱৰী জিনিয়াক পুত্ৰ এটিৰ দৰেই ডাঙৰ-দীঘল কৰি থাকিল। জিনিয়াক তেওঁৰ বিভিন্ন যুদ্ধবিদ্যাত প্ৰশিক্ষিত কৰি তুলিলে আৰু ৰাজকুঁৱৰী জিনিয়ায়ো পুত্ৰহীন ৰজাৰ অভিলাস পূৰণ কৰিলে অতি উত্তমৰূপে যুদ্ধবিদ্যা আৰু যথোচিত শাস্ত্ৰ শিক্ষা কৰি।

*

এবাৰ ৰজা জলন্ধৰ এক বিচিত্ৰ অসুখত পৰিল। ৰাজবৈদ্যসকলে ৰজাক ভাল কৰি তুলিবলৈ প্ৰাণপণে চেষ্টা কৰিথাকিল। কিন্তু তেওঁলোক ব্যৰ্থ হ'ল।

যেতিয়া একোপধ্যে ৰজাৰ অসুখ ভাল নহ'ল, তেতিয়া ৰাজকুঁৱৰী জিনিয়াই ৰজাৰ চিকিৎসক হিচাপে আন কাৰোবাক নিযুক্ত কৰাৰ বিষয়ত মন্ত্ৰীবৰ্গৰ সৈতে পৰামৰ্শ কৰি থাকিল। মন্ত্ৰীবৰ্গৰ সৈতে পৰামৰ্শ কৰাৰ অন্তত ঘোষণা কৰা হ'ল যে ৰজা, জলন্ধৰৰ অসুখ ভাল কৰি তুলিব পৰাজনক অৰ্ধৰাজত্ব প্ৰদান কৰা হ'ব।

এই ঘোষণাৰ কথা শুনি বিভিন্ন দেশৰ বছা বছা চিকিৎসক, সাধু-সন্ন্যাসী আৰু যোগীসকলো ৰজাৰ অসুখ ভাল কৰিবলৈ ঢপলিয়াই আহিল। কিন্তু কোনেও ৰজাক ভাল কৰিব নোৱাৰিলে। তেওঁৰ অসুখ ক্ৰমত বেয়া হৈ থাকিল।

জ্বালামুখী দেশৰ এক ঘোকোট গাঁৱত সুনন্দ নামৰ এজন যুৱক আছিল। সুনন্দৰ ক'তো কেও নাছিল : সি আছিল অকলশৰীয়া। তাৰ অৱস্থাও আছিল বেয়া, ইসাজ খালে সিসাজ নোজোৰাবিধৰ।

এনেহেন জীৱনলৈ সুনন্দৰ ঘৃণা লাগিল আৰু এদিন সি আত্মহত্যা কৰাৰ মনেৰে পাহাৰৰ ওপৰলৈ উঠিলগৈ। সি এই বিৰাট ওখ পাহাৰৰপৰা জাঁপ দি মৰিব।



সুনন্দই পাহাৰৰপৰা জাঁপ দিবলৈ ধাৱঁাতে হঠাৎ পিছফালৰপৰা কোনোবাই কৈ উঠিল, "ৰ'—বা!"

চঁক খাই উঠি সুনন্দই ঘূৰি চালে। তাৰ পিছফালে এটা ৰাক্ষস!

ৰাক্ষসটোৱে সুনন্দক ক'লে, "মৰিবলৈ ওলাইছা কিয়? মৰিলেই জগতখনৰ সকলো সমস্যা নোহোৱা হ'বনে?"

সুনন্দই ৰাক্ষসটোক ক'লে, "তুমি যদিও মহাশক্তিমান ৰাক্ষস, তথাপি মই তোমাক মুঠেই ভয় নকৰোঁ! মোৰ আত্ম-হত্যা কৰাটো বৰ প্ৰয়োজন? মৃত্যুৰ বাবে প্ৰতিজ্ঞাবদ্ধ সুনন্দই ৰাক্ষসক সকলো কথা ভাঙি-পাতি ক'লে। সকলো কথা শুনাৰ অন্তত ৰাক্ষসটোৱে সুনন্দক ক'লে "মই এই পাহাৰত বহু কাল ধৰি আছোঁ। ইয়াৰ আগতে আত্মজাহ দিবলৈ কোনো কেতিয়াও ইয়ালৈ অহা নাছিল। মই মোৰ চকুৰ আগত তোমাক আত্মহত্যা কৰিবলৈ নিদিওঁ।"

"মই তোমাক সকলো কোৱাৰ পাছতো তুমি যে কিয় বাধা দিবা—ক'ব নোৱাৰোঁ। পিছে—মই আত্মহত্যা কৰিমেই। গাঁৱলৈ মই উভতি নাযাওঁ।" সুনন্দই ক'লে।

ৰাক্ষসটোৱে ক'লে, "শুনা, তোমাক যদি মই ৰক্ষা কৰোঁ, তেনেহ'লে মই অলপ পুণ্য আৰ্জিব পৰা হ'ম। শুনা, মনপুতি মোৰ কথা শুনা। তোমালোকৰ দেশৰ ৰজা জলন্ধৰ টান অসুখত ভুগি আছে, কোনেও ভাল কৰিব পৰা নাই। তেওঁক ভাল কৰিব পৰাজনক আধা ৰাজত্ব দিয়া হ'ব বুলি ঘোষণা কৰা হৈছে। ময়েই ৰজাৰ অসুখ ভাল কৰিলোহেঁতেন; কিন্তু মই হ'লোঁ এটা ৰাক্ষস, গতিকে ৰাজত্ব পায়ো একো লাভ নহ'ব। কি গছৰ শিপা খালে ৰজা ভাল হৈ উঠিব' মই তোমাক কৈ দিম। সৌগন্ধিকা গছৰ শিপা শিলত পিহি—মই যিটো ফল দিম, সেই ফলৰ ৰসৰ সৈতে মিহলাই খুৱালেই



ৰজাৰ অসুখ ভাল হ'ব। মোৰ কথামতে কাম কৰিলে তুমি আধা ৰাজ পাবা, আৰু পাছত ৰজাও হ'ব পাৰিবা।"

ৰাক্ষসৰ কথা মতে সুনন্দই দৰব-পাতি লৈ ৰাজধানীলৈ গ'ল আৰু সহজেই ৰজাৰ দৰ্শন পালে। ৰাক্ষসে কোৱা মতে দৰব-খুৱাই সুনন্দই চাৰিদিনৰ ভিতৰত ৰজাক ভাল কৰি তুলিলে।

ৰজা ভাল হৈ উঠাৰ পাছত সুনন্দক ৰজা-প্ৰজা সকলোটিয়েই হিয়া উবুৰিয়াই শলাগিলে। তাৰ পাছত ৰজাই পৰিপূৰ্ণ ৰাজসভাত ঘোষণা কৰিলে, "মই মোৰ প্ৰদত্ত প্ৰতিশ্ৰুতি অনুসাৰে সুনন্দক মোৰ ৰাজ্যৰ অৰ্ধাংশ দান কৰিলোঁ!"

এই ঘোষণাৰ পূৰ্বমুহূৰ্তলৈকে সুনন্দ নিমাতে আছিল। তাৰ পাছত সুনন্দই ৰজাক একাষৰীয়াকৈ মাতি নি তেওঁক ক'লে, "মহাৰাজ, ঠিক এতিয়াই আপোনাৰ দান মই গ্ৰহণ কৰাত অপাৰগ। মোক আপুনি অনুগ্ৰহ কৰি কিছুদিনৰ সময় দিয়ক। মই ঘুৰি আহি আপোনাৰ সৈতে পুনৰ সাক্ষাৎ কৰিম।" এই কথা শুনি ৰজাই সুনন্দক অলপ ধন দিলে।

*

তাৰ পাছত সুনন্দই এগৰাকী গুৰুৰ অধীনত থাকি দক্ষতাৰে অস্ত্ৰচালনা তথা যুদ্ধবিদ্যা আয়ত্ত কৰিলে আৰু তাৰ পাছত আন এঠাইত শাস্ত্ৰজ্ঞান আহৰণ কৰিলেগৈ।

*

এদিন সুনন্দ ৰাজধানীলৈ পুনৰ আহিল। ৰাজধানীত তেতিয়া নৰৰাত্ৰিৰ উৎসৱ। এই উৎসৱমুখৰ ৰাজাধানীত সুন্দৰ ছদ্মবেশত উপস্থিত হ'ল। এই উৎসৱ উপলক্ষ্যে ৰাজধানীত অস্ত্ৰবিদ্যাৰ প্ৰতিযোগিতা পতা হৈছিল। ছদ্মবেশী সুনন্দই বিভিন্ন ধৰণৰ অস্ত্ৰ প্ৰতিযোগিতাত নাম লগাই, বিজয় লাভ কৰি, ৰজাৰপৰা প্ৰচুৰ উপহাৰ-পুৰস্কাৰ লাভ কৰিলে।

উৎসৱৰ অন্তত ৰজাৰ সৈতে সাক্ষাৎ

কৰি ছদ্মবেশী সুনন্দই ৰজাৰ ওচৰত আত্মপৰিচয় দিলে। ৰজা বিস্মিত। সুনন্দই সবিনয়ে ৰজাক ক'লে, "মহাৰাজ, মই আপোনাৰপৰা অস্ত্ৰবিদ্যাৰ প্ৰতিযোগী হিচাপে বহুতো পুৰস্কাৰ পালোঁ, আৰু পালোঁ প্ৰশংসা। মই আপোনাৰ ৰাজত্বৰ তথা ৰাজ্যৰ অৰ্ধাংশৰ অধিকাৰী। কিন্তু ৰাজত্বৰ পৰিৱৰ্তে যদি মই আন কিবা বিচাৰোঁ—আপুনি মোৰ সেই ইচ্ছা পূৰণ কৰিবনে মহাৰাজ?"

অবাক ৰজা নিৰ্বাক হ'ল। তাৰ পাছত তেওঁ লাহেকৈ সুধিলে, "তোমাৰ সেই ইচ্ছানো কি?"

"ৰাজকুঁৱৰী জিনিয়াৰ যদি আপত্তি নাই—মই তেওঁক বিবাহ কৰাত আগ্ৰহী।"

"কিন্তু—জিনিয়া যদি অসন্মত হয়?" ৰজাই সুধিলে।

"তেওঁ অসন্মত হ'লে মোক অৰ্ধৰাজত্বো নালাগে, মই নীৰৱে-নিমাতে গুচি যাম।" সুনন্দই ক'লে।

ৰজা বৰ বিমোৰত পৰিল। তেওঁ ভাবি থাকিল ঃ সুনন্দই জিনিয়াক ভালেই পাই পেলাইছেনে তাৰ আন কিবা গূঢ় উদ্দেশ্য আছে? জিনিয়াক বিয়া কৰাই ভৱিষ্যতত ৰাজ্যৰ বাকী অৰ্ধাংশো গ্ৰাস কৰাৰ অভিসন্ধি আছেনে কি তাৰ মনত?

—ৰজাই সুনন্দক পাছদিনা পুনৰ সাক্ষাৎ কৰিবলৈ ক'লে।

সুনন্দ আৰু ৰজাৰ মাজত হোৱা কথাখিনি ৰাজকুঁৱৰী জিনিয়াই আঁৰৰপৰা শুনিছিল। সুনন্দকো বিয়া কৰাবলৈ তাই আগ্ৰহীনে কি, সোধাত, জিনিয়াই ক'লে, "সুনন্দৰ যে কি ইচ্ছা, মই ধৰিব পৰা নাই। মই তেওঁৰ সৈতে নিজেই-কথা হ'ম।"

পাছদিনা সুনন্দ আহিল আৰু ৰাজকুঁৱৰী জিনিয়াই সুনন্দক সুধিলে, "সুনন্দ, স্পষ্টকৈ কোৱা, তোমাক সূৰ্য্যৰ গৌৰৱনে চন্দ্ৰৰ গৌৰৱ লাগে?"

অলপ পৰলৈ মনে মনে থকাৰ অন্তত

সুনন্দই ক'লে, ৰাজকুঁৱৰী, মই ক্ষমাপ্ৰাৰ্থী। মোক ক্ষমা কৰা। মই সূৰ্য্যৰ দৰে গৌৰৱ বিচাৰোঁ।" এই বুলি কোৱাৰ পাছত, সুনন্দ তলমূৰ হৈ গুচি গ'ল।

*

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, ৰজা জলন্ধৰৰ বেমাৰ ভাল কৰি তোলাৰ পাছত সুনন্দই বহু ৰকমৰ অস্ত্ৰবিদ্যা আৰু শাস্ত্ৰ-জ্ঞানো আৰ্জিছিল। ৰজা জলন্ধৰৰ ৰাজ্যৰ অৰ্ধাংশ নিশ্চয় সুন্দই পালেহেঁতেন। কিন্তু সেই অৰ্ধৰাজ্য এৰি সুনন্দই ৰাজকুঁৱৰী জিনিয়াক বিয়া কৰাবলৈ আগ্ৰহী হৈছিল কিয়? এয়া সুনন্দৰ নিবু্দ্ধিতা নহয়নে। আৰু—জিনিয়াৰ প্ৰশ্নৰ উত্তৰত সুনন্দই সূৰ্য্যৰ দৰে গৌৰৱ আৰ্জিব বুলি কৈছিল কিয়? জনা সত্বেও সঠিককৈ মোৰ প্ৰশ্নৰ উত্তৰ যদি তুমি মোক নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

এই প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "যুদ্ধবিদ্যা আৰু শাস্ত্ৰজ্ঞান অৰ্জাৰ পাছত সুনন্দই বুজি পাইছিল যে কেৱল এইবোৰ আৰ্জিয়েই দেশশাসন কৰিব নোৱাৰি। ৰাজকুঁৱৰী জিনিয়াৰ সহায়ত দেশশাসন কৰা সম্ভৱ হ'ব বুলি ভাবি সুনন্দই জিনিয়াক বিয়া কৰাব খুজিছিল। কিন্তু এই প্ৰশ্নই সুনন্দৰ আত্মমৰ্য্যাদাবোধ জাগ্ৰত কৰি তুলিলে। সূৰ্য্য নিজৰ আলোকেৰে আলোকিত; কিন্তু চন্দ্ৰৰ নিজস্ব আলোক নাই। ৰাজকুঁৱৰী জিনিয়াৰ প্ৰশ্ন শুনি সুনন্দই বুজি পাইছিল নিজৰ শক্তি-সামৰ্থ্যেৰেহে জীৱন যাপন কৰা উচিত, নিজেই সূৰ্য্য হোৱা আৱশ্যক, চন্দ্ৰৰ দৰে আনৰ সহায়ত উজ্জ্বল হোৱাটো অপৌৰুষেয়া আৰু লজ্জাকৰ কথা।

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

আচী

অতি প্ৰাচীনকালত চীনদেশৰ নিচেই পিছপৰা গাঁও এখনত ওৱাং নামৰ এজন মানুহ আছিল। গাঁওখনৰ বাট-পথ আছিল বৰ আছিল বৰ অকোৰা-পকোৰা ধৰণৰ। আন গাঁৱৰপৰা অহা মানুহ এই গাঁৱলৈ আহি ওলাবৰ বাট বিচাৰি নোপোৱা হৈছিল। কিন্তু এই গাঁৱৰ ৰাইজ আছিল অকপটীয়া।

এদিন ওৱাং ওলাল নগৰলৈ বুলি, সি নগৰত এণ্ডাৰ বেচে। নগৰত এণ্ডাৰৰ যথেষ্ট চাহিদা; পিছে—ওৱাং কাহানিও আগে নগৰলৈ যোৱা নাছিল!

ওৱাঙক তাৰ ঘৈণীয়েক চা চিঙে ক'লে, "চাই-চিঁতি যাবা, আৰ্জন কৰি ঘূৰিবা আৰু নগৰৰপৰা ঘূৰি আহোঁতে মোৰ কাৰণে ভাল চাই ফণি এখন আনিবা।"

"ফণি!" ফণি কাক বোলে ওৱাঙে নাজানিছিল। তথাপি সি মূৰ তুপিয়াই মান্তি হৈ নগৰলৈ খোজ ল'লে। তেতিয়াৰ দিনত চীনদেশৰ জীয়ৰী-বোৱাৰীহঁতে মূৰৰ চুলিত ধুনৰ কাৰণে ফণি গোঁজ মাৰি থৈছিল। ওৱাঙৰ ঘৈণীয়েকে বুজি পালে যে গিৰিয়েকে ফণি কাক কয় চিনি নাপায়। সেয়েহে তাই বেঁকা-ভাঁজুৰা বস্তু এটা দেখুৱাই ক'লে, "দেখিছা নহয়, ফণি হ'ল এনেকুৱা ভাঁজুৰা ঘূৰণীয়া বস্তু।"

নগৰলৈ গৈ, এণ্ডাৰ বেচাৰ অন্তত, ওৱাঙৰ মনত পৰিল ঘৈণীয়েকৰ কথা। ঘৈণীয়েকে কিবা এটা নিবলৈ কৈছিল তাক; কিন্তু কি যে নিবলৈ কৈছিল, তাৰ মনত নপৰা হ'ল। সি বস্তুটোৰ নাম সমূলি পাহৰি থাকিল। বহুতোপৰলৈকে

ভবা-গুণা কৰাৰ অন্তত তাৰ ইমানকে মনত পৰিল যে ঘৈণীয়েকে ঘূৰণীয়া বস্তু এটা নিবলৈ কৈছিল তাক

ভালেমান দোকানত বস্তু চাই চাই ঘূৰা-ফুৰাৰ পাছত সি ঘূৰণীয়া বস্তু এটা দেখা পালে। দেখা পায়েই, আৰু অযথা পলম নকৰি, তৎক্ষণাৎ বস্তুটো কিনি লৈ ওৱাং ঘৰমুৱা হ'ল।

*

ঘৰ পাই ওৱাঙে তাৰ ঘৈণীয়েকক সেই ঘূৰণীয়া বস্তুটো দিলে। আচলতে সেই ঘূৰণীয়া বস্তুটো আছিল এখন আৰ্চী

ওৱাঙৰ ঘৈণীয়েকে আৰ্চীখনত নিজৰ মুখখনকে দেখা পালে। আৰ্চী কাক বোলে—তাই নাজানিছিল। তাই আৰ্চীখনৰ ভিতৰত সাইলাখ তাইৰ দৰে আন এজনীক দেখা পাই ভাবিলে যে গিৰিয়েকে নিশ্চয় নগৰপৰা আন এজনীক বিয়া কৰাই আনিলে। তাই কান্দি কান্দি পোনে পোনেই মাকৰ ঘৰলৈ গুচি গ'ল।

তাৰ পাছত মাক-জীয়েকে দুয়ো লগ লাগি গ'ল গাঁৱৰ গাঁওবুঢ়াৰ ওচৰলৈ। গাঁওবুঢ়ায়ো কাহানিও দাপোণ বা আৰ্চীৰ নামো শুনা নাছিল, দেখাও নাছিল দাপোণত নিজৰ মুখখন দেখা পাই গাঁওবুঢ়াই ভাবিলে যে ওৱাং, তাৰ ঘৈণীয়েক, আৰু শাহুৱেকে মিলি আন এজন গাঁওবুঢ়াক ধৰি আনিলে। গাঁওবুঢ়াই ক'লে, "তোমালোকে মোক অপমান কৰিবলৈ আন এটা গাঁওবুঢ়াক লৈ আহিছা! ৰ'বা, তোমালোকক দৰব এপালিকৈ খুৱাইহে এৰিম মই।" গাঁওবুঢ়াই এই দুজনীক মাৰি ভৈয়াম কৰিবলৈ চকিদাৰক আদেশ দিলে। ৰাইজৰো উঠিল খং। ৰাইজে আৰ্চীখনত ধৰি টনা-আঁজোৰা কৰি থাকিল।

ইমান টনা-আঁজোৰাৰ ফলত আৰ্চীখন তললৈ পৰি টুকুৰা-টুকুৰ হৈ গ'ল। আৰু লগে লগে সকলো দন্দ-বান্দৰো অন্ত পৰিল।

সাঁচী স্তূপ

ভূপাল চহৰৰ অদূৰৰর্তী সাঁচী পৰ্বতত মধ্যপ্ৰদেশৰ ৰাজধানী অৱস্থিত। খ্ৰিষ্টপূৰ্ব তিনি শতিকাত সম্ৰাট অশোকে সাঁচী পৰ্বতত বিতোপন বৌদ্ধস্তূপ সাজিছিল।

সাঁচী পৰ্বতস্থিত স্তূপ সমূহৰ ওচৰত প্ৰাচীন নগৰৰ চিহ্ন অদ্যাপি বিদ্যমান। সম্ৰাট অশোকৰ পুত্ৰ মহেন্দ্ৰই বৌদ্ধ মত প্ৰচাৰৰ বাবে সিংহলদেশলৈ বুলি ওলোৱাৰ আগতে বিদিশাগিৰিৰ ওচৰত কিছুকাললৈ ধ্যান কৰিছিল। তেতিয়া তেওঁৰ মাতৃয়ে তেওঁক চোৱাচিতা কৰিছিল।

তেতিয়াৰ দিনত তাত মাত্ৰ এটি স্তূপ আছিল। কিছুকালৰ অন্তত তালৈ গৈ সম্ৰাট অশোকে তাৰ সৌন্দৰ্য্যমণ্ডিত পৰিবেশ দেখি মুগ্ধ হৈ, বৌদ্ধ ভিক্ষু-সকলৰ থকা-মেলাৰ বাবে তাত সুৰম্য বাসস্থান সাজিবলৈ আঁচনি কৰিলে।



এই বাসস্থান নিৰ্মাণৰ বাবে বিদিশা নগৰীৰ শিল্পীসকলৰ সহায়তা গ্ৰহণ কৰা হ'ল। সেইবোৰ বাসগৃহৰ দেৱালত খোদিত হ'ল বুদ্ধৰ বিশিষ্ট বিচিত্ৰ জীৱন-কাহিনীৰ চিত্ৰ তথা বুদ্ধৰ বাণী।

বাসগৃহ নিৰ্মাণৰ অন্তত তাত বসবাস কৰিবলৈ অনেক বৌদ্ধ ভিক্ষু আহিল। তেওঁলোকে ধ্যানমগ্নতাৰে বুদ্ধৰ বাণী অনুধাৱন তথা অনুসৰণ কৰিছিল। দেশৰ বিভিন্ন অঞ্চলৰপৰা তাত বৌদ্ধ ভিক্ষু সকলৰ আগমন ঘটিল।

কিন্তু কিবা কাৰণত, ত্ৰয়োদশ শতিকাত, বৌদ্ধ ভিক্ষুবৃন্দ সেই অঞ্চল এৰি গুচি গ'ল। কিছুদিনৰ অন্তত ঠাই ডোখৰ গছ-গছনিৰে ভৰি পৰিল। সেইবোৰ স্তূপৰ আকাৰত নিৰ্মিত বাসগৃহসমূহ বাহিৰৰপৰা আৰু দৃষ্টিগোচৰ নহ'ল।

১৮১৮ খ্ৰিষ্টাব্দত সেই অঞ্চললৈ যোৱা বৃটিছ সৈন্যৰ সেনাপতি জেনাৰেল টেলাৰে সেই ঠাইটুকুৰাৰ বৈচিত্ৰ্যলৈ লক্ষ্য কৰি, গছ-গছনিৰ আঁৰৰপৰা বৌদ্ধ স্তূপসমূহৰ অস্তিত্ব আৱিষ্কাৰ কৰি ৰোমাঞ্চিত হ'ল। তেওঁ সেই ঠাইত এক হেৰোৱা ইতিহাসৰ সন্ধান পালে।



কেইবাশ বছৰ ধৰি গছ-গছনিৰে ঢাক খোৱা অৱস্থাত থকাৰ ফলত স্তূপ-সমূহৰ অৱস্থা জৰাজীৰ্ণ হৈ পৰিছিল। মূল স্তূপটো আছিল প্ৰায় দহ কিল'-মিটাৰ আঁতৰত। কালক্ৰমে তাত সেই স্তূপটোও আৱিষ্কৃত হৈছিল।

এইবোৰ স্তূপৰ গাত অপূৰ্ব শিল্প-সৌন্দৰ্য্যৰ নিদৰ্শন পোৱা যায়। প্ৰতিটি স্তূপৰ চাৰিওফালে চাৰিখনকৈ সিংহদ্বাৰ পৰিলক্ষিত হয়। আনুমানিক দুই সহস্ৰ বছৰৰ আগেয়ে এই অপূৰ্ব সুৰম্য স্তূপসমূহ নিৰ্মিত হৈছিল।

স্তূপসমূহৰ গাত খোদিত বুদ্ধৰ জীৱনৰ ঘটনাৱলীৰ মাজত এটা বান্দৰে বুদ্ধক মধু খাবলৈ দিয়াৰ ঘটনাটোও খোদিত আছে। বিস্ময়ৰ কথা, ইয়াত বুদ্ধৰ কানো মূৰ্তি নাই। অৱশ্যে ইয়াত বোধিবৃক্ষ আছে। এই বৌদ্ধস্তূপসমূহ ভাৰতীয় ঐতিহ্য তথা সংস্কৃতিৰ চিহ্নস্বৰূপ অদ্যাপি বিৰাজিত।

মুখা

ধনত শিতান দি থকাইঁতৰ মাজত শ্ৰীমুখো আছিল এজন। তাৰ চল্লিশ বছৰ বয়সত পৰিবাৰ ঢুকাল। লগা-ভগা বহুতেই তেওঁক আকৌ বিয়া কৰাবলৈ তাৰ মতে—বিয়াৰ বাৰটা মাহত হেনো তেৰটা জগৰ। আৰু বিয়াৰ পাছত বুকুৰ তেজ পানি কৰিও পৰিবাৰৰ মন কোমলাব নোৱাৰে কোনেও, পৰিবাৰে সদায় যে বায়ু-ধুনা দিয়ে, শ্ৰীমুখে সহিব নোৱাৰে। কিন্তু কৈছিল, কিন্তু তেওঁ নকৰালে। অত কথা কোৱাৰ পাছত, তাৰ পাছত আশী বছৰ বয়সত তেওঁৰ তাৰ জীৱনত এটা ঘটনা ঘটিল।

শ্ৰীমুখে যেতিয়া ষাঠি বছৰত ভৰি দিছিল, তেতিয়াৰেপৰাই গোপাল আৰু গিৰিবালাই দিনৰ ভাগত শ্ৰীমুখৰ আল-পৈচান ধৰে, ৰাতিৰ পৰতে ঘৰৰ পৰীয়াৰ কাম কৰে। ক'বলৈ গ'লে—গোপাল আৰু গিৰিবালাই শ্ৰীমুখক পিতৃজ্ঞানে সেৱা-যত্ন কৰিছিল।

এইদৰে চলি আছিল। কিন্তু শ্ৰীমুখে যেতিয়া আশীৰ বাঁহী বজালে, তেতিয়া হঠাৎ এদিন বহু দূৰ দুৰণিত থকা শ্ৰীমুখৰ বাইদেৰেকৰ পুতেক আৰু তাৰ ঘৈণীয়েক ওলালহি শ্ৰীমুখক চোৱা-চিঁতা কৰিবলৈ। ইহঁতৰ নাম আছিল নগেন আৰু নবীনা। এইহালে শ্ৰীমুখক চাবলৈ আহিছিল; কিন্তু আহি আৰু উভতি নগ'ল। এইহালে গোপাল-গিৰিবালাৰ বিৰুদ্ধে তলে তলে শিপা কাটি শ্ৰীমুখক বিমুখ তুলিবলৈ দিনে-নিশাই যত্ন কৰি থাকিল। গোপাল গিৰিবালাৰ বিৰুদ্ধে শুনি শুনি এদিন

পমিলা শৰ্মা



শ্ৰীমুখৰ মনত এই ধাৰণাই শিপালে যে গোপাল-গিৰিবালাই তাৰ ঘৰৰপৰা সদায় ইটো-সিটো সৰকায়। আনহাতে নগেন-নবীনাই শ্ৰীমুখক সেৰা-কৰাৰ ছলত শ্ৰীমুখৰ ঘৰত খলি পুতি বহিল। এই এই বুঢ়া বয়সত সিহঁতহালে হেনো শ্ৰীমুখক এৰি যাব নোৱাৰে। এৰি গ'লে হেনো সিহঁতক পাপে ছুব।

আচলতে—নগেন-নবীনাৰ মন-কাণ শ্ৰীমুখত নাছিল, আছিল তাৰ সম্পত্তিত। শ্ৰীমুখক ভাল নাপালেও, শ্ৰীমুখৰ সম্পত্তিক বৰ ভাল পাইছিল আৰু এই ভালপোৱাই সিহঁতক উদ্বুদ্ধ কৰিলে শ্ৰীমুখৰ সিপুৰী যাত্ৰালৈ। শ্ৰীমুখৰ কেনেবাকৈ সিপুৰীয়া কৰিব পাৰিলে, তাক বুঢ়া বয়সৰ কষ্টৰপৰা ৰেহাই দিয়াব পাৰিলে, সিহঁতহালক আন একো নালাগে। সিহঁতহাল লুভীয়া নহয়। সিহঁতে এই বুঢ়াৰ কষ্ট দেখি কাতৰ হৈহে শ্ৰীমুখ সিপুৰীয়া হোৱালৈ বাট চাই আছে।

শুনি শুনি তিতা-কেঁহা লাগি অৱশেষত এদিন শ্ৰীমুখে গোপাল-গিৰিবালাক চোৰ-চুৰুণী বুলি ভাবি—খেদিলে। তেতিয়াৰ-পৰা নগেন-নবীনাই শ্ৰীমুখৰ 'ওম্ শান্তি'লৈ দিনে-নিশাই চেষ্টা চলাই থাকিল। সিহঁতৰ কৰ্তব্য তো কম নহয়—শ্ৰীমুখৰ ওম্ শান্তি, তাৰ পাছত তাৰ ইমান বিৰাট সা সম্পত্তিৰ চোৱা-মেলা—কত যে কৰ্তব্য! কৰ্তব্যৰ যেন শেষেই নাই।

শ্ৰীমুখৰ অপাৰ শান্তিৰবাবে শ্ৰীমুখক সিপৰীয়া কৰিবলৈ সিহঁতে যিবোৰ ব্যৱস্থা ল'লে, তাৰ ভিতৰত শ্ৰীমুখক সময়মতে ভাত-পানী নিদিয়াটো আছিল অন্যতম।

আৰু, এই ব্যৱস্থাৰ বুঢ়া শ্ৰীমুখ কিছুদিনৰ পাছত অলৰ বুঢ়া হৈ পৰিল। শ্ৰীমুখৰ হাত-ভৰি সদায় কঁপিছিল, খোজ কঢ়াতো টান পাইছিল। তেতিয়া শ্ৰীমুখে তাৰ বৈদ্য বন্ধু দণ্ডপাণিক খবৰ দিলে।

শ্ৰীমুখৰপৰা মোটামুটি বৃত্তান্ত জনাৰ পাছত বন্ধু তথা বেজ দণ্ডপাণিয়ে শ্ৰীমুখক

দৰব-পাতি দিলে আৰু ক'লে, "দৰব কেতিয়া কেনেকৈ কিমানখিনিকৈ খুৱাব লাগিব: নগেন-নবীনাক বুজাই কৈ যাম।"

তিনিদিনৰ পাছত শ্ৰীমুখে গাত বল-শক্তি পোৱা হ'ল আৰু সি তাৰ বন্ধু দণ্ড-পাণিৰ ওচৰলৈ গ'ল। শ্ৰীমুখে দণ্ডপাণিক ক'লে, "তোমাৰ দৰবে মন্ত্ৰৰদৰে গুণ দিলে। তোমাৰ জাদুশক্তি থকা দৰব খাই মই আৰু কিছুদিন জীয়াই থাকিম যেন পাইছোঁ এতিয়া।"

"নগেন-নবীনাই তোমাক দিনে কেই-বাৰকৈ দৰব খুৱাইছিলনো?" দণ্ডপাণিয়ে শ্ৰীমুখক সুধিলে।

"সিহঁতহালে মোক দিনে তিনিবাৰকৈ দৰব খুৱাইছে। এদিনৰ কাৰণেও ভুল কৰা নাই। সিহঁতে মোক বৰ ভাল পায়।" শ্ৰীমুখে দণ্ডপাণিক ক'লে।

শুনি দণ্ডপাণি গৰম হৈ উঠিল আৰু ক'লে, "শুনা শ্ৰীমুখ, যদি কিছুদিনলৈ জীয়াই থকাৰ মন আছে, নগেন-নবীনাক এতিয়া-এই মুহূৰ্ততে খেদি পঠোৱা। সিহঁতে সদা-সৰ্বক্ষণ তোমাক সিফলীয়া কৰিবলৈ চেষ্টা কৰিছে। তোমাৰ কথা শুনি বুজি পালোঁ যে মই কোৱামতে সিহঁতে তোমাক দৰব-পাতি খুউৱা নাই। সিহঁতক দিনে এবাৰকৈ দৰব খুৱাবলৈ কৈ আহিছিলোঁ, খুৱালে তিনিবাৰকৈ। এনেকুৱা সন্দেহ এটা মোৰ হৈছিলেই সিহঁতৰ আও-ভাওলৈ



লক্ষ্য কৰি . সেয়েহে সিহঁতে তেনেকুৱাখন কৰিলেও—অৰ্থাৎ বেছিকৈ দৰব খুৱালেও যাতে তোমাৰ অনিষ্ট নহয় তাৰ কাৰণে দৰবৰপুৰিয়াবিলাকত তিনিভাগৰ এভাগকৈ দৰব ভৰাইছিলেঁ। যি কি নহওক—এই ঘটনাৰ মাজেদি সিহঁতৰ আচল ৰূপ ধৰা পৰিল। সিহঁত যে কিয় তোমাৰ ঘৰত খলি পুতিছেহি. তুমিহে নাজানা। যা হওক—আৰু পলম নকৰি—সিহঁত দুটাক তুমি ৰাম-খেদন দিয়া।"

শ্ৰীমুখে ক'লে. "নগেন আৰু নবীনাই—মোক—মানে—চকুৰ পুতলীৰ দৰে— "

"হয়তো!" দণ্ডপাণিয়ে শ্ৰীমুখৰ কথা নৌশেষ হওঁতেই কৈ উঠিল. "চকুৰ পুতলীৰ দৰে চকুৰে চকুৰে ৰাখি কৰিবলগাখিনি কৰিব লাগিছেই।"

"দণ্ডপাণি. এই নগেন-নবীনাৰ কথাত মই মোৰ বিছ বছৰৰ বিশ্বাসী আলপৈচান ধৰোঁতা গোপাল-গিৰিবালাক খেদিলেঁ। এতিয়া যদি মই নগেন-নবীনাকো উলিয়াই দিওঁ—এই বুঢ়া বয়সত কোনেনো মোৰ আলপৈচান ধৰিবহি?"

"শুনা, গোপাল-গিৰিবালাক তুমি খেদি দিয়াৰ পাছত. সিহঁতহালে মোৰ ঘৰতে আশ্ৰয় লৈছিলহি। সিহঁতে মোৰ দৰৱ-পাতি বনোৱাত সহায় কৰে, অ'ৰ ত'ৰপৰা লতা-পাত-শিপা বুটলি আনে; ভালেখিনি সহায় কৰে। তুমি নৰিয়াপাটীত পৰাৰ খবৰ পাই সিহঁত অতি কাতৰ হৈ পৰিছিল। লাগিলে—সিহঁতক তুমি পুনৰ যোমাৰ ওচৰলৈ লৈ যাব পাৰা।"

"লগিলে নহয়—লাগিবই। সিহঁত-হালেই মোৰ ল'ৰা-ছোৱালী।" এই বুলি কৈ, শ্ৰীমুখ তংক্ষণাং ঘৰমুৱা হ'ল।

ঘৰ পায়েই শ্ৰীমুখে নোম-টেঙৰ নগেন-নবীনাৰ নৰিয়া চাই পৰীয়াৰ বন্দৰস্ত কৰিলে। সিহঁত দুটাক খেদি পুনৰ গোপাল-গিৰিবালাক আদৰি লৈ আহিল।

উত্তৰ-ৰামায়ণ

৭

সীতাদেৱীক প্ৰণাম কৰি, তেওঁক প্ৰদক্ষিণ কৰি, সীতাদেৱীক তাতে এৰি থৈ, নীৰৱ-নিমাত দেৱৰ লক্ষ্মণ পুনৰ নাৱত উঠিল আৰু নাৱেৰে সিপাৰ পালেগৈ।

*

তাৰ পাছত লক্ষ্মণ ৰথত উঠিল, আৰু ৰথৰপৰা সীতাদেৱীলৈ বাৰে বাৰে ঘূৰি ঘূৰি চাই চাই চকুলো টুকিবলৈ ধৰিলে।

*

সীতাক এক অনাথা-অসহায়া যেন বোধ হৈছিল। উদাস-হতাশ দৃষ্টিৰে সীতায়ো ৰথোপৰি আসীন দেৱৰ লক্ষণলৈ অপলক দৃষ্টিৰে চাই আছিল। তাৰ পাছত, ৰথখনক যেতিয়া দৃষ্টিয়ে আৰু ঢুকি নোপোৱা হ'ল, তেতিয়া সীতাৰ অশ্ৰু-ৰাশিয়ে বাধা নমনা হ'ল। স্বামীহাৰা সীতাৰ উচ্চ ক্ৰন্দনধ্বনি সেই অৰণ্যত সৰৱে ধ্বনিত-প্ৰতি-ধ্বনিত হৈ থাকিল।

*

সীতাৰ ক্ৰন্দনধ্বনিৰে আকৃষ্ট হৈ কেইজনমান মুনিকুমাৰ তালৈ গৈ, ক্ৰন্দনৰতা সীতাক দেখি, বাল্মীকিক ক'লেগৈ, "হে মুনিবৰ, গংগাৰ তীৰত এগৰাকী অচিনাকি নাৰী ক্ৰন্দনৰতা। এই নাৰীগৰাকী অপৰূপ ৰূপৱতী, তেওঁক সাক্ষাৎ স্বৰ্গৰ দেৱী যেন বোধ হৈছে। আপুনি সেই নাৰীগৰাকীক এবাৰ চাই আহিবনেগৈ?"

মহামুনি বাল্মীকি তৎক্ষণাৎ সীতাৰ

'বাল্মীকিৰ আশ্ৰমত সীতা'

ওচৰলৈ গ'ল আৰু সীতাক ক'লে, "দশৰথ-বোৱাৰী, তোমালৈ মই স্বাগত জনাইছোঁ। তুমি যে ইয়ালৈ কিমতে আহিলা, মই ধ্যানযোগে জ্ঞাত হৈছোঁ। মই তিনিও-লোকৰ বৃত্তান্ত জ্ঞাত হ'ব পাৰোঁ। যি কি নহওক, মই জীৱিত থকাকাললৈকে তোমাৰ কোনো ভয় নাই। মোৰ আশ্ৰমত তুমি ধৈৰ্য্য ধৰি থাকিবা। দুখ-শোক কৰি কোনো লাভ নহ'ব, ঘটিবলগা ঘটিল, এই ঘটনাত কাৰো হাত নাই। সকলো নিয়তি আমি সকলো নিয়তিৰ অমোঘ নিৰ্দেশ মানি চলিবলৈ বাধ্য। যি কি নহওক— মোৰ আশ্ৰমখনকে তুমি তোমাৰ নিজৰ গৃহ বুলি গণ্য কৰিবা।"

বাল্মীকিৰ চৰণত সাষ্টাংগে প্ৰণাম কৰি, সীতাদেৱী লাহে-ধীৰে বাল্মীকিৰ আশ্ৰমলৈ গ'ল।

*

বাল্মীকিয়ে অন্যান্য মুনিপত্নীৰ সৈতে সীতাক চিনাকি কৰোৱাৰ অন্তত মুনি-পত্নীসকলক ক'লে, "সীতাৰ যাতে কোনো প্ৰকাৰৰ অসুবিধা নহয়, তাৰ প্ৰতি তোমালোকে সদা-সৰ্বক্ষণ লক্ষ্য ৰাখিবা। আজিৰপৰা সীতা আমাৰেই। সীতা বাহিৰা কোনোবাজনী নহয়, আমাৰ আশ্ৰম-পৰিয়ালৰে এজনী হ'ল। সীতা ইয়াত নৱাগতা, কিন্তু আশা কৰোঁ দুই-এদিনতে সেই কথা পাহৰি যাব পাৰিব।"

*

অযোধ্যালৈ বেদনাগধুৰ হৃদয়েৰে উভতি গৈ থকা লক্ষ্মণে ৰথৰ সাৰথি সুমন্ত্ৰক ক'লে, "সুমন্ত্ৰ, অযোধ্যালৈ যাবলৈ মই একেবাৰে আনন্দ নোপোৱা হৈছোঁ। বৌৰ অবিহনে অযোধ্যাপুৰী শ্মশানহেন বোধ হ'ব। নিৰাপৰাধিনী নাৰী এগৰাকীয়ে এনে বিষম দণ্ড পাব লাগিছিলনে? নিৰ্দোষী নাৰী এগৰাকীয়ে এনেহেন দণ্ড পোৱাত কাৰ গৌৰৱ যে বাঢ়িব ক'ব নোৱাৰোঁ।"

লক্ষ্মণৰ কথা শুনি সাৰথি সুমন্ত্ৰই ক'লে, "হে লক্ষ্মণ, শ্ৰীৰামচন্দ্ৰৰ জীৱন যে দুঃখপূৰ্ণ হ'ব, তেওঁৰ যে আপোনজনৰ বিচ্ছেদ ঘটিব, মুনি-ঋষিসকলে সেই কথা বহু আগতেই কৈছিল। মই তোমাক এই গোপন কথাষাৰ ক'ম; 'কিন্তু তুমি এই কথা ভৰত আৰু শত্ৰুঘ্নক নিশ্চয় একো নক'বা।"

এই বুলি কৈ, সুমন্ত্ৰই সীতাৰ জীৱনৰ গোপন কথা ক'বলৈ ধৰিলে:

এদিন মহাৰজা দশৰথ বশিষ্ঠ মুনিৰ আশ্ৰমলৈ গ'ল। তাত তেওঁ অত্ৰি মহা-ঋষিৰ পুত্ৰদুৰ্বাসাক দেখা পালে। দশৰথে দুৰ্বাসাক ক'লে, "হে মহাত্মা, মোৰ ভৱিষ্যৎ সম্পৰ্কে অৱহিত হ'ব পৰাহেঁতেন ভাল পালোহেঁতেন। মোৰ পুত্ৰ ৰামচন্দ্ৰৰ আয়ুস কিমান? মোৰ আন পুত্ৰহঁতৰেইবা আয়ুস কিমান? এতিয়া মোৰ পুত্ৰসৱৰ ভৱিষ্যৎ কি? হে মহাত্মা দুৰ্বাসা। পুত্ৰসৱৰ বিষয়ে এইবোৰ কথা সঠিকভাৱে জানিবলৈ মোৰ বৰ মন গৈছে।"

মহাৰাজ দশৰথৰ এইবোৰ জিজ্ঞাসাৰ উত্তৰত মহাত্মা দুৰ্বাসাই ক'লে:

"দেৱাসুৰৰ যুদ্ধত পৰাজিত হৈ অসুৰ-সকল ভৃগু মহাঋষিৰ পত্নীৰপৰা সহায়তা প্ৰাৰ্থনা কৰাত তেওঁ অসুৰসকলক অভয় প্ৰদান কৰিলে। এই বাতৰি পায়েই বিষ্ণুৱে তেওঁৰ চক্ৰেৰে ভৃগু-পত্নীৰ মস্তক





খণ্ড-খিখণ্ড কৰি পেলালে। তাৰ ফলত ভৃগুমুনি অগ্নিসম ক্ৰুদ্ধ হ'ল। তেওঁ ক্ৰোধান্ধ অৱস্থাত বিষ্ণুলৈ অভিশাপ দিলে, 'তুমি পৃথিৱীত জনমি তোমাৰ পত্নীৰ বিয়োগ-বেদনা সহিব লাগিব'।

ক্ৰুদ্ধ ভৃগুমুনিৰ এই অভিশাপৰ ফলত দশৰথৰ পুত্ৰ ৰামচন্দ্ৰ ৰূপে বিষ্ণুৱে এসময়ত ধৰাতলতে জন্ম গ্ৰহণ কৰিলে।

*

শ্ৰীৰামচন্দ্ৰই ভৃগুমুনিৰ অভিশাপৰ ফল ভুঞ্জিবই লাগিব। তেওঁ একাদশ সহস্ৰ বছৰ ৰাজ্যশাসন কৰি অসংখ্য অশ্বমেধ যজ্ঞ অনুষ্ঠিত কৰাৰ অন্তত ব্ৰহ্ম-লোকলৈ যাব। শ্ৰীৰামচন্দ্ৰই দুটি পুত্ৰ লাভ কৰিব; কিন্তু পুত্ৰ দুটি অযোধ্যাত জন্ম নল'ব। বহু দিনৰ পাছত তেওঁৰ এই পুত্ৰ দুটিক শ্ৰীৰামচন্দ্ৰই অযোধ্যাৰ সিংহাসনত অধিষ্ঠিত কৰিব।'

*

এইদৰে—সাৰথি সুমন্ত্ৰৰ সৈতে বিভিন্ন বিষয়ত কথা পাতি পাতি লক্ষ্মণে এসময়ত অযোধ্যা পালেগৈ।

*

লক্ষ্মণ শ্ৰীৰামচন্দ্ৰৰ সন্মুখত তলমূৰ হৈ নীৰৱে দণ্ডায়মান হ'ল আৰু জ্যেষ্ঠভ্ৰাতাক প্ৰণাম কৰি ক'লে, "আপোনাৰ নিৰ্দেশ অনুসাৰে বৌক মহামুনি বাল্মীকি আশ্ৰমত এৰি থৈ আহিলোঁ। এতিয়া আপুনি নিশ্চয় দুশ্চিন্তামুক্ত হ'ল। বৃদ্ধিৰ ফলতে ক্ষয় হয়, উন্নতি হ'লে অৱনতিও হয়। যোগ হ'লে তাৰপৰা বিয়োগও হ'য়।"

"লক্ষ্মণ, তুমি যি কৈছা, মোৰ মনৰ কথা অনুধাৱন কৰিয়েই কৈছা যেন পাইছোঁ। মই প্ৰকৃততেই দুশ্চিন্তামুক্ত।"

মুখেৰে এই কথা কোৱা সত্ত্বেও বিগত চাৰিদিন ধৰি শ্ৰীৰামচন্দ্ৰই কোনো কাৰ্য্য কৰিব পৰা নাছিল। শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক ক'লে:

'প্ৰাচীনকালত নৃগ মহাৰাজে ব্ৰাহ্মণ-

সকললৈ কৌটি কৌটি গাভী দান কৰিছিল। তেওঁ দান কৰা গাভীবিলাকৰপৰা এজনী গাভী কেনেবাকৈ তেওঁৰ নিজৰ গাভী-বিলাকৰ লগত লগ লাগিলহি। ৰজাই এই একেজনী গাভীক আন এজন ব্ৰাহ্মণলৈ দান কৰিলে। এইজনী গাভী প্ৰথমতে যিজন ব্ৰাহ্মণে দানস্বৰূপে প্ৰাপ্ত হৈছিল, তেওঁ তেওঁৰ হেৰোৱা গাভীজনীক বিচাৰি ওলাল আৰু বহু পৰলৈকে বিচৰাৰ অন্তত কনখল অঞ্চলৰ আন এজন ব্ৰাহ্মণৰ গৃহৰ সন্মুখত গাভী এজনীক দেখা পাই গাভী-জনীৰ নাম কাঢ়ি মাতিলে আৰু গাইজনীও এইজন ব্ৰাহ্মণৰ পিছে পিছে গৈ থাকিল। দ্বিতীয়জন ব্ৰাহ্মণে গাইজনীক লৈ যোৱা ব্ৰাহ্মণক ক'লে, "এই গাভী মোৰ। মই এই গাভীজনী বিচক্ষণ নৃগ মহাৰাজৰপৰা দানস্বৰূপে লাভ কৰিছোঁ।"

"এয়ানো কেনেকুৱা কথা! ময়ো গাভীজনীক নৃগ মহাৰাজৰপৰাই দানস্বৰূপে লভিছোঁ!" প্ৰথমজন ব্ৰাহ্মণে ক'লে।

বহুতোপৰলৈকে তৰ্কবাদ কৰাৰ অন্তত তেওঁলোক বিচাৰৰ বাবে নৃগ মহাৰাজৰ কাষ চাপিল; কিন্তু বহু দিন ধৰি অপেক্ষা কৰাৰ পাছতো তেওঁলোকে ৰাজদৰ্শন নোপোৱা হ'ল।

তেতিয়া সেই ব্ৰাহ্মণদ্বয়ে ৰজাক অভিশাপ দিলে, "হে ৰজা, তোমাৰ জীৱনৰ শেষ কালছোৱা এটা গাঁতত কটাব



লাগিব, আৰু মৃত্যুকালত তোমাৰ ওচৰত কোনো নাথাকিব।”

পাছত নৃগ মহাৰাজে তেওঁক অভিশাপৰপৰা মুক্তি দিবলৈ প্ৰাৰ্থনা কৰাত ব্ৰাহ্মণদ্বয়ে ক'লে, “যদুবংশৰ বাসুদেৱৰদ্বাৰা অভিশাপ লুপ্ত হ'ব।”

নৃগ মহাৰাজে তেওঁৰ অন্যতম পুত্ৰ বসুক সিংহাসনত অধিষ্ঠিত কৰি নিজৰ জীৱনৰ বাকী কালছোৱা গাঁতৰ ভিতৰত যাপিবলৈ নিজ হস্তেৰে এটা বিৰাট গাঁত খান্দিলে আৰু তেওঁ সানন্দে সেই গাঁততে কটালে।

*

তাৰ পাছত শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক ৰাজপুত্ৰ নিমিৰ কাহিনী ক'বলৈ ধৰিলে:

*

নিমি আছিল ইক্ষাকু মহাৰাজৰ দ্বাদশ পুত্ৰ। তেওঁ 'বৈজয়ন্ত' নামৰ সুদৃশ্য প্ৰাসদ সাজি, পিতৃদেৱৰ সন্তুষ্টিৰ বাবে যজ্ঞ পাতিলে। এই যজ্ঞৰ ঋত্বিক হিচাপে বশিষ্ঠমুনিক নিযুক্ত কৰিব খোজাত বশিষ্ঠই ইন্দ্ৰৰ যজ্ঞ সমাপ্ত কৰাৰ অন্তত নিমিৰ যজ্ঞানুষ্ঠান সমাধা কৰিব বুলি কৈ গুচি গ'ল। কিন্তু নিমিয়ে বশিষ্ঠৰ কাৰণে অপেক্ষা নকৰি গৌতমৰদ্বাৰা যজ্ঞ সমাপন কৰিলে।

পাছত বশিষ্ঠই নিদ্ৰামগ্ন নিমিক অভিশাপ দিলে, “এনে নিদ্ৰামগ্ন অৱস্থাতে তোমাৰ দেহ নিশ্চল হৈ পৰিব।”

সাৰ পাই, লৰচৰ কৰিব নোৱৰা নিমিয়ে বশিষ্ঠকো অভিশাপ দিলে, “হে বশিষ্ঠ! তুমিও এতিয়াই বিদেহী হোৱাঁ!”

*

বশিষ্ঠ বিদেহী অৱস্থাত বায়ুৰূপ ধাৰণ কৰাৰ পাছত পিতৃ ব্ৰহ্মাক ক'লৈগৈ, “পিতা! নিমিৰ অভিশাপত মোৰ দেহ লুপ্ত হ'ল। দেহহীন অৱস্থাত কাৰ্য্যাদি কৰাত বৰ কষ্ট হৈছে। কৃপা কৰি মোক দেহ দান কৰাঁ, পিতা!”

ব্ৰহ্মাই বৰুণ প্ৰমুখৰ তেজৰপৰা দেহ



আহৰণ কৰিবলৈ বশিষ্ঠক ক'লে। এইদৰে, বিভিন্ন দেহভাগৰ সহায়ত অন্য দেহ ধাৰণ কৰি, বশিষ্ঠ ইক্ষাকু বংশৰ পুৰোহিত হ'ল।

*

মুনি-ঋষিগণে নিমিৰ দেহৰপৰা এটি শিশুপুত্ৰৰ সৃষ্টি কৰিলে। এই শিশুপুত্ৰৰ নাম মিথি। এই মিথিৰ নামানুসাৰে মিথিলানগৰৰ সৃষ্টি হৈছিল। মিথিৰ অন্য নাম হ'ল জনক।

শ্ৰীৰামচন্দ্ৰ কথিত এই কাহিনীসমূহ শুনি লক্ষ্মণে ক'লে, "হে জ্যেষ্ঠভ্ৰাতা! নিমি ক্ষত্ৰিয় হৈয়ো বশিষ্ঠৰপৰা শান্তি নোপোৱা হ'ল কিয়?"

"ক্ৰোধ আৰু শান্তিৰ সহাৱস্থান সম্ভৱ নহয়।" এই প্ৰসংগক্ৰমে শ্ৰীৰামচন্দ্ৰই ক্ৰোধ সংযত কৰিব পৰা যযাতিৰ বৃত্তান্ত লক্ষ্মণক ক'লেঃ

'যযাতি আছিল নহুষৰ পুত্ৰ। বৃষপৰ্ব ৰজাৰ জীয়েক শৰ্মিষ্ঠা আৰু শুক্ৰাচাৰ্য্যৰ কন্যা দেৱযানী আছিল যযাতিৰ পত্নী। দেৱযানীতকৈ শৰ্মিষ্ঠাকহে যযাতিয়ে গভীৰ ভাৱে ভাল পাইছিল আৰু সেই কাৰণে দেৱযানীৰ পুত্ৰ যদুতকৈ শৰ্মিষ্ঠাৰ পুত্ৰ পুৰুক অধিককৈ মৰম কৰিছিল।

দিনৰ পাছত দিন ধৰি এই কথালৈ লক্ষ্য কৰি, এদি যদুৱে তাৰ মাতৃ দেৱযানীক ক'লে, "মা, তুমি ইমান বিখ্যাত ঋষি শুক্ৰাচাৰ্য্যৰ কন্যা হোৱা সত্ত্বেও তোমাৰ পুত্ৰ হৈ মই কিয় ইমান অৱহেলা সহিবলগীয়া হৈছোঁ, মা! দিন-প্ৰতিদিন এনে অপমান সহি থকাতকৈ—আমি দুয়ো জুইত আত্মজাহ দিলেহে ভাল হ'ব। তুমি যদি আত্মজাহ নিদিয়া নাই, মোক অনুমতি দিয়া।"

দুখে-অপমানে-ক্ৰোধে অতি জৰ্জৰিতা দেৱযানীয়ে তেওঁৰ পিতৃক সুঁৱৰিলে আৰু সোঁৱৰামাত্ৰেই শুক্ৰাচাৰ্য্য সমুপস্থিত হ'ল।

দেৱযানীয়ে পিতৃক ক'লে, "পিতা, মই স্বামীৰপৰা সদা-সৰ্বক্ষণ অপমানিতা

হৈছোঁ। এনে অযথা অপমান সহিব নোৱাৰি জুই বা জলত আত্মজাহ দিম বুলি স্থিৰ কৰিছোঁ মই।”

জীয়েকৰপৰা সকলো কথা শুনাৰ অন্তত ক্রুদ্ধ শুক্রাচাৰ্য্যই কৈ উঠিল, “যযাতিৰ দেহত বাধৰ্ক্যৰ সৃষ্টি হওক।”

যযাতিয়ে এই অভিশাপ অতি সহজভাৱে গ্ৰহণ কৰিলে।

যযাতিয়ে তেওঁৰ পুত্ৰ যদুক ক’লে. “বোপা, জীৱনত কৰিবলগীয়া বহু কাৰ্য্য এতিয়াও আছে। আছে অনেক আশা, অনেক আকাংক্ষা। অভিশাপৰ ফলত মই জৰাগ্ৰস্ত হৈ পৰিলোঁ। তুমি মোৰ এই বাৰ্ধক্য তথা জৰা গ্ৰহণ কৰি, মোক তোমাৰ যৌৱন প্ৰদান কৰাঁ। তাৰ পাছত, মোৰ কৰণীয় কৰ্তব্য-কৰ্মখিনি কৰাৰ অন্তত, তোমাৰ যৌৱন মই ওভোতাই দিম, আৰু মই জৰা ঘূৰাই ল’ম।”

এই কথাৰ উত্তৰত দেৱযানীৰ পুত্ৰ যদুৱে পিতৃ যযাতিক ক’লে, “তোমাৰ বাৰ্ধক্য তথা জৰা—তোমাৰ উত্তৰাধিকাৰী পুৰুক দিয়া। মই নলওঁ।”

তেতিয়া যযাতিয়ে পুৰুকো একেইবোৰ কথা ক’লে আৰু পুৰুৱে সানন্দে তাৰ পিতৃৰ বাৰ্ধক্য তথা জৰা বৰণ কৰি লৈ, নিজৰ যৌৱন পিতৃক দিলে।

তাৰ পাছত বহু সহস্ৰ বৎসৰ ৰাজ্য শাসন কৰি, অসংখ্য যজ্ঞানুষ্ঠান সমাপ্ত কৰাৰ অন্তত যৌৱনপ্ৰাপ্ত যযাতিয়ে যুৱক পুৰুক তাৰ যৌৱন ওভোতাই দিলে আৰু পুৰুৰপৰা জৰা পুনৰ্গ্ৰহণ কৰিলে।

তাৰ পাছত যযাতিয়ে তেওঁৰ পুত্ৰ পুৰুক সিংহাসনত অধিষ্ঠিত কৰিলে। যদুৱে সিংহাসনত অধিষ্ঠিত হ’ব নোৱাৰিলে। পুৰু ৰজা হিচাপে বহু কাল ধৰি ৰাজ্য শাসন কৰি থাকিল।’

শ্ৰীৰামচন্দ্ৰই এনেবোৰ কাহিনী কৈ থাকোঁতেই এসময়ত পূবে ধলফাট দিলে।



পৰিৱৰ্তন

ৰুদ্ৰপুৰৰ ৰজা সিংহকেতু আছিল অতি নিষ্ঠুৰ প্ৰকৃতিৰ ৰজা। তেওঁ সদায় প্ৰজাবৰ্গৰ ওপৰত বিভিন্ন ধৰণৰ কৰ-কাটল আৰোপ কৰি, কৰ দিব নোৱাৰাহঁতৰ মাটি-বাৰী অধিকাৰ আৰু তেওঁৰ এনেবোৰ কামৰ প্ৰতিবাদকাৰী-সকলক দেশৰপৰা বহিষ্কাৰ কৰিছিল।

সিংহকেতু ৰজাৰ মহামন্ত্ৰীৰ নাম আছিল ধৰ্মধ্বজ। মহামন্ত্ৰী ধৰ্মধ্বজে ৰজাক শান্ত কৰিবলৈ চেষ্টা কৰিও বিফল হৈছিল।

ৰজা সিংহকেতুৰ চিকাৰলৈ বৰ ৰাপ। এবাৰ তেওঁ দহজন সৈন্য লগত লৈ চিকাৰলৈ ওলাল। চিকাৰলৈ ওলাই, এটা জন্তুৰ পিছ খেদি সিংহকেতু গভীৰ অৰণ্যলৈ সোমাই গ'ল আৰু সৈন্যহঁতক এৰি বহুদূৰলৈ গুচি গ'ল।

সৈন্যহঁতৰ লগত এৰাএৰি হোৱাৰ কথা বুজি পাই, চিকাৰ এৰি ৰজা সিংহকেতু ৰাজধানীমূৱা হ'ল; কিন্তু এই গভীৰ অৰণ্যৰপৰা ওলাই ৰাজধানীলৈ যোৱাৰ বাট-পথ বিচাৰি উলিয়াব নোৱাৰিলে। তেওঁ অসহায়ভাৱে ইফালে-সিফালে চাই থাকোঁতেই এজোপা গছৰ ওপৰত বহি থকা চাৰিটা ডকাইতে গছৰ ওপৰৰপৰা তললৈ জাল পেলাই ৰজা সিংহকেতুক জালৰ ভিতৰত বন্দী কৰি পেলালে।

ডকাইতহঁতে ৰজা সিংহকেতুৰ গাত থকাবিভিন্ন মূল্যৱান অলংকাৰ, সাজ-পাৰ সোলোকাই লৈ, অতি সাধাৰণ কাপোৰ-কানি পিন্ধাই, সিহঁতৰ চৰ্দাৰ উগ্ৰকণ্ঠৰ ওচৰলৈ লৈ গ'ল।

উগ্ৰকণ্ঠই ৰজা সিংহকেতুক ভালকৈ

কাব ভট্টাচাৰ্য্য

পৰ্য্যবেক্ষণ কৰাৰ অন্তত সুধিলে, “সঁচা কথা কোৱা, তুমি কোন?”

সিংহকেতুৱে সদম্ভে **ক'লে**, “মই এই দেশৰ ৰজা।”

এই কথা কোৱাৰ লগে লগেই উগ্ৰকণ্ঠই তাৰ অনুচৰহঁত ক'লে, “হেৰহঁত! তহঁতে এওঁক কিয় বন্দী কৰি থৈছ? এওঁক এৰি দে, এওঁ আমাৰ লগৰে এটা।”

উগ্ৰকণ্ঠই সিংহকেতুক ক'লে, “ক্ষমা কৰিবা দেই—। মোৰ লগৰীয়াহঁতে এই কথাটো সমূলি নাজানিছিল যে আমি আৰু তুমিও দৰাচলতে একেই। তুমি এতিয়া যাব পাৰা, তুমি মুক্ত।”

উগ্ৰকণ্ঠৰ কথা শুনি সিংহকেতুৱে বিস্ময় মানিলে। তলমূৰ হৈ, অলপদূৰ আগবাঢ়ি যোৱাৰ অন্তত, ৰজা সিংহকেতুৱে লক্ষ্য কৰিলে যে এটা ভূত বতাহত দোল খাই আছে। ভূতটোৱে ৰজাক দেখা পাই বিদ্ৰূপাত্মকভাৱে খিক খিককৈ হাঁহি থাকিল। আৰু ৰজা সিংহকেতুৱে তৎক্ষণাৎ খাপৰপৰা তৰোৱাল উলিয়ালে।

তেতিয়া ভূতটোৱে হো হোৱাই হাঁহি উঠি ৰজাক ক'লে; “বলিয়া ক'ৰবাৰ, তোৰ তৰোৱালে আমাৰ—ভূতহঁতৰ যে একোডাল কৰিব নোৱাৰে — নাজান হ'বলা? মই তোৰ গাৰ তেজখিনি এই মুহূৰ্ত্ততে শুহি ল'ব পাৰোঁ যে—জাননে নেজান? কিন্তু মই নলওঁ, কিয়নো,



মই সাধাৰণতে বাহী শবিলাকহে খাওঁ। দেখাত তোক বীৰ যেনেই লাগিছে। তই কোন ক'চোন শুনো?"

তয়া-হঁয়াকৈ মাত-বোল কৰাত সিংহকেতুৰ খঙে চুলিৰ আগ পাইছিলগৈ। কিন্তু মন কৰিলেও কৰিবলগা একো নথকাত শান্ত কণ্ঠেৰে ক'লে, "মই রুদ্রপুৰৰ ৰজা সিংহকেতু।"

এই কথাত ভূতটোৱে ভয়া-পাহুৰা যেন হৈ ক'লে, অ'—তইহে! তই বোলে ভূতকো এৰি নিদিয়? খৰখেদাকৈ তোক কিবা কৰাহেঁতেন মই বিপাঙতহে পৰিলোহেঁতেন। মোৰ বন্ধু-বান্ধৱহঁতে মোক নগুৰশান্তি দিলেহেঁতেন। কিয়নো—তোৰ ৰাজত্বত আমি যিমানবোৰ বাহী শ পাওঁ, আন কাৰো ৰাজত্বত তাৰ এসিকিও নাপাওঁ।" এই বুলি কৈ, বতাহৰ বোকোচাত উঠি, ভূতটোৱে পলাই ফাট মাৰিলে।

তাৰ পাছত ৰজা পুনৰ আগবাঢ়ি গৈ থাকিল। কিন্তু হঠাৎ এজোপা গছৰ আঁৰৰপৰা এটা ভয়ংকৰ শব্দ উঠিল। সিংহকেতুৱে চঁক খাই উঠি ঘূৰি চালে। আৰু পাছ মুহূৰ্ততে এটা বিৰাট ৰাক্ষসে ৰজা সিংহকেতুক থাপ মাৰি ধৰিলে।

ৰাক্ষসটোৱে ৰজাক ক'লে, "হেৰ মানুহ,সময়মতেই আহি পাইছহি। ভোকৰ আঞ্জা মোৰ, আহ্, আহ্!" এই বুলি কৈয়েই গিলি খাবলৈ মুখ মেলিয়েই



ৰাক্ষসটোৱে পুনৰ ক'লে, "তোৰ সাজ-পাৰলৈ চাই—বাৰু তই কোন ক'চোন ?"

সিংহকেতুৱে কৈ উঠিল. "মই এই দেশৰ ৰজা, ৰজা সিংহকেতু।"

"নেখাওঁ তোক।" ৰাক্ষসটোৱে বিকট হাঁহিৰে মুখখন উজলাই ক'লে, "তোক যদি খাওঁ—আগলৈ মই নিজেই নেখাই মৰিম। মই আশীৰ্বাদ কৰিছোঁ—তই যুগ যুগ ধৰি বাঁচি-বৰ্তি থাক।" এই বুলি কৈ ৰাক্ষসটোৱে সিংহকেতুক এৰি দিলে।

ৰজা সিংহকেতু পুনৰ আগুৱাই গৈ থাকিল। গৈ থাকোঁতে তেওঁ ভাবি থাকিল : কথানো কি? ডকাইতে নামাৰে, ভূতে নাখায়, ৰাক্ষসেও নিগিলে—ইয়াৰ হেতুনো কি? এইবোৰ কথা ভাবি ভাবি ৰজাই এজোপা গছৰ তলত বহি দিলে।

আৰু ঠিক তেতিয়াই তেওঁক বিচাৰি বিচাৰি সৈন্যইঁতো তালৈ আহিল। আৰু তেতিয়া ৰজাই চিন্তা জাৰি-জোকাৰি পেলাই পোনে পোনেই ৰাজধানীলৈ গ'ল।

*

গধূলিপৰতে ৰাজধানী পায়েই ৰজাই তেওঁৰ মহামন্ত্ৰী ধৰ্মধ্বজক মতাই অনাই সকলো কথা বিস্তৃতভাৱে ক'লে আৰু কোৱাৰ অন্তত মন্তব্য কৰিলে, "মই একেবাৰে বিভ্ৰান্ত হৈ পৰিছোঁ। কোনেও মোক নামাৰে-নাখায়, অনিষ্ট নকৰে। কেলেইনো? ডকাইতহঁতৰ চৰ্দাৰ উগ্ৰকণ্ঠই তাৰ অনুচৰহঁতক ক'লে যে—মই হেনো সিহঁতৰ লগৰে এটা। ভূতটোৱে ক'লে যে মোক যদি মাৰি পেলায়, তেনেহ'লে আন ভূতবিলাকে হেনো তাক নগুৰশাস্তি দিব। ৰাক্ষসটোৰ কথা শুনি মোৰ ধাৰণা হ'ল যে মইহে সিহঁতক খাদ্যৰ যোগান ধৰিছোঁ। ডকাইত, ভূত আৰু ৰাক্ষসৰ এনেবোৰ কথাৰ তথা কামৰ মাথা-মুণ্ড মই একো ঠাৰৰ কৰিব পৰা নাই।"

মহামন্ত্ৰী ধৰ্মধ্বজে মূৰ দুপিয়াই ক'লে, "মহাৰাজ, ডকাইত-চৰ্দাৰ উগ্ৰকণ্ঠৰ কথাৰ

তাৎপৰ্য্য অতি সৰল। সিহঁত অৰণ্য থাকে, তাতে সুবিধা পোৱামাত্ৰেই লুণ্ঠন আৰু ডকাইতি কৰে। উগ্ৰকণ্ঠৰ কথাৰ তাৎপৰ্য্য হ'ল এয়ে যে—আপুনিও সিহঁতৰ দৰেই প্ৰজাবৰ্গৰ ধন লুণ্ঠন কৰে আৰু ডকাইতৰ দৰে প্ৰজাক অত্যাচাৰ কৰে। ভূতৰ কথাৰ অৰ্থ হ'ল এয়ে যে—যিসকল প্ৰজাই কৰ-কাটল দিব নোৱৰা হয়, সিহঁতক আপুনি ফাঁচীৰ জৰীত নিদিলে ভূতহঁতে সিহঁতৰ খাদ্য—ইমানবোৰ মৃতদেহ পাব কেনেকৈ? ৰাক্ষসটোৰ কথাৰ অৰ্থও তেনেকুৱা। আপোনাৰ অত্যাচাৰৰ ফলত অসংখ্য প্ৰজা দণ্ডৰ হাত সাৰিবলৈ অৰণ্যলৈ পলাই যায়। আৰু অৰণ্যলৈ যায় বাবেহে ৰাক্ষসহঁতে আমাৰ প্ৰজাহঁতক ধৰি খাব পাৰে, ভোক গুচাব পাৰে। কথাবোৰ ঠাৰৰ কৰিব পাৰিছেনে, মহাৰাজ?"

"তাৰ মানে—" ৰজা সিংহকেতুৰে গৰম হৈ ক'লে, "মই ডকাইত, ভূত আৰু ৰাক্ষস-হঁততকৈয়ো জঘন্য। নহয়নে মহামন্ত্ৰী?"

"মহাৰাজ!" মহামন্ত্ৰী ধৰ্মধ্বজে নম্ৰ কণ্ঠেৰে ক'লে, "আপোনাৰ কথাখিনি শুনি মোৰ যি ধাৰণা হৈছে—নিবেদন কৰিলোঁ। মোৰ যদি ভুল হৈছে, তাৰ বাবে মোক ক্ষমা কৰিব, মহাৰাজ!"

হঠাৎ ৰজা সিংহকেতুৰে মহামন্ত্ৰীক প্ৰণাম কৰিলে আৰু ক'লে, "আপোনাৰ ব্যাখ্যা শুনি আজি মই মোৰ সম্পৰ্কে জানিলোঁ। আগলৈ মই যাতে ধৰ্মৰ বাটে দেশ শাসন কৰিব পাৰোঁ, প্ৰজাবৰ্গৰ মংগল সাধিব পাৰোঁ, তাৰ বাবে মোক আপুনি আশীৰ্বাদ কৰক।"

মহামন্ত্ৰী ধৰ্মধ্বজে ৰজাক আশীৰ্বাদ কৰি ক'লে, "মহাৰাজ! আপুনি আপোনাৰ মাজত থকা দুষ্ট শক্তিক জয় কৰিলে। এতিয়াৰপৰা আপুনি এগৰাকী মহান ৰজা হিচাপে পৰিগণিত হ'ব। আপোনাৰ এই বিপুল পৰিৱৰ্তনৰ কাৰণে মই আনন্দিত।"

হিংস্ৰ আৰু নম্ৰ

সুপ্ৰাচীন কালত অৰণি নামৰ এগৰাকী ঋষি আছিল। এদিন তেওঁ ভাবিলে ঃ জগতখনত ইমানবোৰ প্ৰাণীৰ কোনো আৱশ্যকতা নাই। জগতত কেৱল মানুহ থাকিলেই যথেষ্ট। ঋষি অৰণিয়ে ব্ৰহ্মাক তপস্যা কৰি থাকিল। তপস্যাত তুষ্ট হৈ ব্ৰহ্মাই অৰণিকবৰ দিলে।

তপস্যা ভংগ কৰি অৰণি যেতিয়া আশ্ৰমলৈ বুলি উভতি গৈ আছিল, তেতিয়া এটা বাঘে হৰিণা এটাক ধৰিবলৈ চেঁকুৰি যোৱালৈ তেওঁৰ দৃষ্টি পৰিল। ব্ৰহ্মাৰপৰা পোৱা বৰৰ শক্তিৰে অৰণিয়ে তৎক্ষণাৎ বাঘটোক এটা পুৰুষলৈ আৰু হৰিণাজনীক নাৰীলৈ ৰূপান্তৰিত কৰিলে। তাৰ ফলত—হৰিণাই চেলেকিলে বাঘৰ গাল—অৰ্থাৎ বৈৰী দুটা পৰস্পৰৰ প্ৰতি আকৃষ্ট হ'ল। পুৰুষৰ নাৰীয়ে গভীৰভাৱে ভাল পাই পেলালে। এনে অবিশ্বাস্য অথচ মধুৰ সম্পৰ্কলৈ চাই ঋষি অৰণিৰ মন-প্ৰাণত আনন্দই নধৰা হ'ল। অৰণিয়ে সিহঁতৰ বিয়াও পাতি দিলে। সিহঁতহালে অৰণ্যত কুটিৰ সাজি বসবাস কৰিবলৈ ধৰিলে।

গিৰিয়েকে অৰণ্যৰপৰা জন্তু-জানোৱাৰ ধৰি খাইছিল, আৰু ঘৈণীয়েককো খাবলৈ কৈছিল। কিন্তু গিৰিয়েকে যে পশু-পক্ষী চিকাৰ কৰে, তাৰ কাৰণেও তাই বেয়া পায়। ঘৈণীয়েকে গিৰিয়েকক কৈছিল, "তুমি সেইবোৰ বাদ দি ফল-মূল, শাক-পাচলি নোখোৱা কিয় ?"

গিৰিয়েকে ঘৈণীয়েকক কৈছিল, "তুমিয়েইবা মঙহ নোখোৱা কেলেই ?"

এইবোৰ কথাত তৰ্কাতৰ্কি লাগিছিল।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

আৰু এদিন এই তৰ্কাতৰ্কি কাজিয়া-কন্দললৈ বাগৰিল। সিহঁতৰ মাজত প্ৰচণ্ড মত-বিৰোধৰ সূত্ৰপাত হ'ল।

এইদৰে বহু দিন পাৰ হ'ল। সিহঁত-হালৰ ঢেৰ ল'ৰা-ছোৱালী উপজিল। ল'ৰা-ছোৱালীহঁতৰ মাজত কিছুমানৰ গাত পুৰুৰ আৰু কিছুমানৰ নাৰীৰ প্ৰভাৱ ফুটি ওলাল। কোনোবা দেখাত পিতৃৰ দৰে, কোনোবা মাতৃৰ দৰে হ'ল।

কিন্তু দিন যায়, অশান্তি বাঢ়ে। গিৰিয়েকে তেতিয়া ঘৈণীয়েকৰ পিঠিত সদায় ঔ পাৰে। এবাৰ মাৰিয়েই পেলাইছিল প্ৰায়; ঘৈণীয়েকে কাণে-কাণ মাৰি সাৰিছিল। কিন্তু গিৰিয়েকে তাইক মাৰি পেলাব বুলি প্ৰতিজ্ঞা কৰি তাইৰ পিছ খেদি গৈ থাকিল। ঘৈণীয়েকে কি আৰু কৰে—ঋষি অৰণিৰ আশ্ৰমৰ ভিতৰত আশ্ৰয় ল'লে। আৰু পাছমুহূৰ্ততে গিৰিয়েকটো তাত উপস্থিত হ'লগৈ।

ঋষি অৰণিয়ে গিৰিয়েকটোক ক'লে, "ইজনে সিজনক সদায় ডবিয়াই-হুমিয়াই, গুৰালগালি পাৰি, মৰিয়াই—কেইদিননো আৰু এইদৰে সংসাৰ কৰিব পাৰিবা? এইদৰে একেলগে থকাৰ ভাও মুজুৰি বেলেগে বেলেগে থকাটোৱেই ভাল হ'ব।" এই বুলি কৈ, ঋষি অৰণিয়ে দুয়োকো এটাকৈ সেউজীয়া গছৰ পাত দিলে। আৰু ক'লে, "এটাকৈ পাত হাতত লৈ তোমালোকৰ মাজত যাৰ য'লৈকে মন যায় গুচি যোৱা। পাতটো যেতিয়া শুকাব, তোমালোকৰো মুক্তি হ'ব।"

কিছুসময়ৰ অন্তত পাত দুটাও শুকাল, আৰু দুয়ো আগৰ ৰূপ ঘূৰাই পালে। ইজন বাঘ হ'ল, সিজনী হৰিণা।

কিন্তু সিহঁতৰ সন্তানহঁতৰ মাজত কেইজনমানৰ আচৰণ বাঘৰ দৰে হিংস্ৰ আৰু কিছুমানৰ আচৰণ হৰিণাৰ দৰে নম্ৰ হৈ থাকিল।

গিয়ানীৰ গোঁ

৪

সেই অচিনাকি যুৱকে ঘৰটোৰ পিছ চোতালত থকা গছ-গছনিৰপৰা কিছুখিনি লতা আৰু পাত ছিঙি আনি তাত উপস্থিত সকলোটিলৈ চাই ক'লে, "গছ-গছনি সকলোতে থাকে, আৰু এইবোৰেৰে বহুতো বেমাৰ-আজাৰ ভাল কৰিব পাৰি।" এই বুলি কৈ, সেই লতা আৰু পাত হাতৰ তলুৱাত পিহি ৰস উলিয়াই পাঁচটোপামান ল'ৰাটোৰ মুখৰ ভিতৰত পেলাই দিলে।

মুহূৰ্ততে ল'ৰাটোৱে উঠি বহি দিলে। বহি—সি তাৰ মাক-দেউতাকক দেখা পাই মিঠাকৈ হাঁহি মাৰিলে। ল'ৰাটিৰ মাকে অচিনাকি যুৱকক নমস্কাৰ কৰি ক'লে, "বোপা, তুমি মানুহ নোহোৱা, তুমি দেৱতা। মোৰ ল'ৰাটো মৰিল বুলিহে ভাবিছিলোঁ; কিন্তু তুমি সেই মৰা ল'ৰাটোক পুনৰ্জীৱন দিলা।"

আৰু ঠিক এনেতে গাঁৱৰ গিয়ানী পৰ্ভু তুটা তালৈ আহিল। এটা মৰি যোৱা ল'ৰাক পুনৰ হাঁহি-মাতি থকা দেখি সিহঁত ভেবা লাগিল।

মাতব্বৰ গিয়ানী তুটাই অচিনাকি যুৱকলৈ খঙাল-ক্ৰূৰ দৃষ্টিৰে চাই গৰ্জি উঠি ক'লে, "বোলোঁ হেই! তুমি আমাৰ গাঁৱলৈ কি মতলবত আহিছাহে? এ— ? আমাৰ দৰবে গুণ নিদিয়া মৰা ল'ৰা এটাক যেতিয়া তুমি যমৰ মুখৰপৰা ঘূৰাই লৈ আহিছা, তুমি—তুমি বেটা এটা তান্ত্ৰিকেই নিশ্চয়। কোৱা, সঁচা কোৱা।"

অচিনাকি যুৱকে শান্ত কণ্ঠেৰে ক'লে, "মই তান্ত্ৰিক নহওঁ। হিমালয় অঞ্চলত মই ডাঙৰ-দীঘল হৈছোঁ। এগৰাকী সাধকে

মোক লালন-পালন কৰিছিল। তেওঁৰপৰা গছ-পাত-লতা-শিপাৰ গুণাৱলী অলপ-অচৰপ আয়ত্ত কৰিছিলোঁ। তেওঁ মোক মানৱৰ সেৱালৈ জীৱন উছৰ্গিবলৈ কৈছে।" লতা-পাতাৰে দৰব প্ৰস্তুত কৰি ল'ৰাটিক দিলোঁ। এই দৰবেই তাৰ প্ৰয়োজন আছিল,—দেখিছেই।" যুৱকৰ কথা শুনি মাতব্বৰ গিয়ানীহঁতৰ মুখত মাত হৰিল।

কিন্তু পাছমুহূৰ্তত গলহেকাৰি মাৰি মাৰি ডাঙৰ গিয়ানীটোৱে গোঁগোঁৱাই উঠিল, "যেই হওক আৰু নহওক—আমাৰ গাঁৱতে সোমাই, আমাৰ সাতামপুৰুষীয়া নিয়ম-নীতিলৈ লেঠু দেখুৱাই—তুমি যি অনিয়ায় কৰিলা, তাৰ ক্ষমা নাই। তুমি কাৰপৰা অনুমতি লৈ ল'ৰাটোক দৰব খুৱাইছিলাহে? তুমি যিটোক ল'ৰাক ভাল কৰি তুলিলা, সি যে ভাল হৈ উঠিল—তাৰ প্ৰমাণ কি? গতিকে—ল'ৰাটোৰ মাক-দেউতাকে এতিয়া সৌকাৰে তোমাৰ পিঠিত বাবৰি ফুল বাছিব। এয়ে হ'ব তোমাৰ বেজালিৰ মাননী। আৰু তাৰ ফলত আমাৰ গাঁৱৰো পাপ গুচিব।"

"ঠিক আছে, মোক সৌকাৰে কোবালেই যদি তোমালোকৰ ভাল হয়, হওক।" যুৱকে মাতব্বৰ হুটাক ক'লে।

তাৰ পাছত—ধূৰ্ত গিয়ানী হুটাৰ আদেশক্ৰমে সেই ল'ৰাটিৰ মাক-দেউতাকে যুৱকৰ পিঠিত সৌকাৰে কোবালে। যুৱকৰ পিঠিৰপৰা টোপাটোপে তেজ নিগৰি পৰিবলৈ ধৰিলে। তাত গোটখোৱা ৰাইজ স্তম্ভিত; কিন্তু গিয়ানীহঁতৰ বিৰুদ্ধে মাত মতাৰ দাঁত কাৰো নাই। মাতব্বৰহঁতে ক'লে, এতিয়া আমাৰ গাঁৱৰ দোষ গুচিল। তুমি এই মুহূৰ্ততে আমাৰ গাঁও এৰি গুচি যোৱা। টালিবাজী নকৰিবা।"

অচিনাকি যুৱকে ক'লে, "মই বেমাৰ ভাল কৰিম আৰু সৌকাৰ কোব খাম; কিন্তু সচ্চাহতে এইখন গাঁও এৰি গুচি নাযাওঁ মই।"

গিয়ানী এটাই যুৱকক ক'লে, "তুমি এটা থুপাৰ কুকুৰনে কি ? কিয় গাঁৱৰপৰা নাযাবা ? তোমাৰ তেনেহ'লে নিশ্চয় কিবা বেয়া মতলব আছে !"

"শুনক, শাস্ত্ৰত লিখা আছে—অপকাৰীৰো উপকাৰ কৰিবা। মই এটা ল'ৰাক ভাল কৰি তুলিলোঁ, আৰু ল'ৰাটৰ মাক-দেউতাকে মোক সৌকাৰে কোবালে। যিবোৰ গাঁৱত এনেবোৰ মূৰুখ আছে, সেইবোৰ গাঁৱৰ ৰাইজক মোৰ নিচিনা মানুহৰ বাদে আন কোনেনো সহায় কৰিবলৈ আগুৱাই আহিব ? পিছে—মূধাফুটা মূৰ্খহঁতৰ ওপৰ মোৰ খং-ৰাগ একো নাই, আছে পুতৌহে। আৰু সেইকাৰণেহে—এই গাঁৱত মই কিছুদিন থাকিম।"

এই হাবামৰ নেগুৰ যুৱকটোৱে যে এদিন সিহঁতৰ বিপদৰ হেতু হ'বই, সেই কথাত গিয়ানীদ্বয়ৰ মনত সন্দেহ নাথাকিল। সিহঁতে হঠাৎ উগ্ৰ হৈ উঠি ক'লে, "আমি তোৰ বক্তিতা শুনবলৈ অহা নাই, তই এতিয়াই ওলা কৈছোঁ।"

"নোলাওঁ মই।" অচিনাকি যুৱকে ক'লে।

"মিঠা কথাৰে কাম নিসিজিলে—কি বোলেনে—তোমাক গলত বাঁহ দি উলিয়াম। হ'বনে ?" এটা সিয়ান গিয়ানীয়ে ক'লে।

অচিনাকি যুৱকে হাঁহি মাৰি ক'লে, "মই যদি নাযাবলৈ মন কৰোঁ, মোক কোনেও যোৱাব নোৱাৰিব। মোক যিহঁতে লগত ধৰি ঠেলি উলিয়াব, সিহঁতে নিজেই খৰ খাই পৰিব। আনকি মোক কোনোবাই বিষ খুৱায় যদি, খুৱাওঁতাহে সেই বিষৰ ক্ৰিয়াত মৰিব।"

মাতব্বৰ গিয়ানী দুটাই খঙতে জ্বলি-পকি উঠি ওচৰতে ভেবা লাগি থিয় হৈ থকা দুটা ডেকাক ক'লে, "থিয়ৈ থিয়ৈ কিনো ৰং চাই আছাহে, ইয়াক গাঁৱৰপৰা উলিয়াই দিয়া।"

ডেকা দুটাই বাধ্যত পৰি অচিনাকি

যুৱকলৈ আগুৱাই গ'ল; কিন্তু পাছ মুহূৰ্ততে সিহঁত খৰ খাই পৰিল।

এই দৃশ্য দেখি মাতব্বৰ গিয়ানী দুটাৰ চকু ঢেলুকাঢেলুকা হ'ল। সিহঁতে ভাবিলেঃ এইঅচিনাকিটোৱে কেৱল বেজালিয়েই নহয়, তন্ত্ৰ-মন্ত্ৰো জানে। সিহঁতৰ মনত ভয় সোমাল। সিহঁতে গাঁৱৰ ৰাইজক নানান কথাৰে ভাঁৰিছিল; কিন্তু মন্ত্ৰ-তন্ত্ৰ তো নাজানিছিল। যুৱকৰ কাণ্ড দেখি সিহঁতৰ মুণ্ড আচন্ৰাই কৰি উঠিল।

ডাঙৰ গিয়ানীয়ে যুৱকক ক'লে, "তেনেহ'লে—তোমাৰ আচল উদ্দেশ্য হ'ল —মন্ত্ৰ-তন্ত্ৰৰ বলত আমাক এই গাঁৱৰপৰা খেদন। নহয় জানো?

অচিনাকি যুৱকে ক'লে, "মই মন্ত্ৰ নাজানো। মানৱসেৱা হ'ল মোৰ এক মাত্ৰ ধৰ্ম। মই এইখন গাঁৱৰ ৰাইজক সেৱা কৰিবলৈহে আহিছোঁ। আৱশ্যক হ'লে মই—আনকি আপোনালোকৰো সেৱা কৰিম আৰু আপোনালোকৰ মাধ্যমতে ৰাইজকো সেৱিম।"

এই কথা শুনাৰ পাছত দুয়ো মাতব্বৰ অচিনাকি যুৱকক এই গাঁৱত থকাৰ অনুমতি দিলে আৰু ক'লে, "কিন্তু— যিকোনো কাম কৰাৰ আগতে তুমি আমাৰপৰা অনুমতি ল'বা। বচ। এই কথাটি কেতিয়াও নাপাহৰিবা।"

"কিন্তু মানুহৰ সেৱাৰ কাৰণে অনুমতিলৈ

পৰোৱা কৰাৰ অভ্যাস মোৰ নাই যে—! আৰু—আনৰ অপকাৰ কৰিবলৈ যদি দেশৰ ৰজায়ো যদি কয়, মই নামানো। এই দুটা বিষয়ৰ বাহিৰে আন সকলো কথাতে মই আপোনালোকৰপৰা অনুমতি ল'ম বাৰু।" যুৱকে গিয়ানীদ্বয়ক ক'লে।

কিছুদিনৰ পাছত এই যুৱকৰ সম্পৰ্কে গাঁৱৰ গিয়ানী দুজনে ভাবি থাকিল: এই যুৱকে মন্ত্ৰ-তন্ত্ৰ জানিও কাৰো ওপৰত প্ৰয়োগ নকৰে, কাৰো অনিষ্ট নকৰে। সদা-সৰ্বক্ষণ সকলোটিৰ সৈতে মিঠাকৈ মাত বোল কৰে। কথানো কি? তাৰ কথা-কাণ্ডৰ মাথা-মুণ্ড বুজা টান।

আনহাতে—অচিনাকি যুৱকে প্ৰায় প্ৰতিদিনেই আক-তাক বেমাৰৰপৰা ভাল কৰি তুলিছিল, আৰু চুক্তিমতে একুৰিকৈ সৌকাৰ কোব খাইছিল।

কিন্তু—এনেহেন উপকাৰী সমাজবন্ধু এজনক সৌকাৰে কোবোৱাৰ যুক্তিযুক্ততাৰ বিষয়ে গাঁৱৰ ৰাইজৰ মনত আলোড়ন উপস্থিত হ'ল। এই কথা গাঁৱৰ ৰাইজৰ প্ৰধান আলোচ্য বিষয় হৈ উঠিল। বেমাৰীক ভাল কৰি তোলাৰ পৰিৱৰ্তে যুৱকক সৌকাৰে কোবোৱাৰ কথাত বহুতেই অসন্তোষ প্ৰকাশ কৰিবলৈ ধৰিলে। আৰু এদিন গাঁৱৰ ৰাইজ গ'ল গিয়ানী দুটাৰ ওচৰলৈ—এই দুৰ্ঘোৰ অন্যায় কাৰ্য্যৰ প্ৰতিকাৰ বিচাৰি।

"কোনটো ভাল আৰু কোনটো বেয়া—সেই কথা তোমালোকৰপৰা শিকিব লাগিবনে কি?" গিয়ানী দুটাই ফুটাই বুজাই ক'লে ৰাজক, "এই যুৱক হ'ল এটা তান্ত্ৰিক, আৰু সেইবোৰ সৌকাৰ কোব-টোৰ তাৰ গাত নালাগেই। নিশ্চয় কিবা সাংঘাতিক অভিসন্ধি তাৰ আছে, আৰু সেইদেখিহে সি এইখন গাঁৱত আছে। এনে এটা তান্ত্ৰিক সহায় কৰাৰ অৰ্থ হ'ব গোটেইখন গাঁৱৰ অমংগল। [অহা সংখ্যাত



বান্দৰ—
বান্দৰহেন মানুহ
দেখাত সাইলাখ বান্দৰৰ দৰে এবিধ মানুহো নথকা নহয়। এইবিধ মানুহক 'এপ' বুলি কোৱা হয়। বান্দৰ আৰু এই 'এপ'ৰ মাজত পাৰ্থক্য হ'ল—'এপ'ৰ হাত তাৰ ঠেংতকৈয়ো দীঘল। গৱেষণাৰ ফলত জনা গৈছে যে বান্দৰতকৈ 'এপ'ৰ বুদ্ধি বহুগুণে বেছি।

দক্ষিণ আমেৰিকাত এবিধ দীঘলঠোঁটিয়া চৰাই আছে। সাধাৰণভাৱে এই দীঘল ঠোঁটক 'নাক' বুলিয়েই কোৱা হয়। ই দেখাত বেছ গধুৰ আৰু অতি টান যেন লাগিলেও আচলতে অতি কোমল আৰু পাতল।
টুকান
চৰাইৰ নাক


ভাহি থকা ঠাই—
দক্ষিণমেৰু-সংলগ্ন যি ৫৩০ মাইল দীঘল অঞ্চল সমতল ভূমিৰ সৈতে লগ লাগিছেহি, সেই ২০৩ ফুট ওখ আৰু ৬০০ মাইল বহল অঞ্চল প্ৰকৃততে ভাহি থকা বৰফৰ দ'মহে!

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে!
সুপৰ
रिन
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক – আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা!
হিন্দুস্থান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 97 2016 AS

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ অগাস্ট সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ জুন মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : গজেন্দ্ৰ-গমন

দ্বিতীয় ফটো : যন্ত্ৰচক্ৰ-ভ্ৰমণ

পুৰস্কাৰ প্ৰাপক : মৰমী ভট্টাচাৰ্য্য, ৰিফাইনাৰি হাইস্কুল, গুৱাহাটী-২০

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশন কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

“যিদিনা মই মোৰ প্ৰথম শালমন আৱিষ্কাৰ কৰিলো…
সেইদিনাই মই আৱিষ্কাৰ কৰিলো ক্লিয়াৰেছিল।”

সেই দিনটোৰ কথা মোৰ আজিও মনত পৰে। মনত কিমান যে উৎকণ্ঠা…মোৰ বাইদেউৰ বিয়ালৈ আৰু মাথো এসপ্তাহ আছে। আৰু মই নতুন কাপোৰেৰে সাজি-কাচি দাপোণৰ আগত ঠিয় দিলো। কিন্তু ই কি…মোৰ গালত এয়া কিহৰ দাগ…ইয়ে শালমন। ই আছিল মোৰ প্ৰথম শালমন। কিন্তু এই সময়ত…নাই নাই, এতিয়াতো ওলাব নালাগিছিল।

সেই সময়তে সোমাই আহে বাইদেউ, মোৰ মুখলৈ চায়। তেওঁ কলে “হেৰ’ পাগলী, এই বয়সত সকলোৰে শালমন ওলায়। মোৰো ওলাইছিল, সেয়ে মই লগালো ক্লিয়াৰেছিল। তয়ো লগোৱা উচিৎ।” মই তাকেই কৰিলো। আৰু কি জানে? সুফলো পালো। এতিয়া আৰু মই কব নালাগে যে বিয়াখন মই ভালদৰেই উপভোগ কৰিলো।

ক্লিয়াৰেছিলে
শালমন পৰিষ্কাৰ
কৰাত সহায়
কৰে আৰু
ই বিয়পি
পৰাটোও
ৰোধ কৰে।

OBM/5687/AS

ক্লিয়াৰেছিল

শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী

A Super treat in every sweet!
SUPER SIZE!
SUPER TASTE!
nutrine
SuperStar
Premium toffees
TWIN TREAT
DELITE
TOP CREAM
Heavenly delights
nutrine ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলেট
নিউট্ৰিন কনফেকশ্যনেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিতুৰ, অ. প্ৰ.
CLARION/NC/8636